চান্দমামা

ডিছেমবাৰ ১৯৮৯




Ramanand Sagar's
Ramayan
PHOTO COMICS
12 volumes. In Hindi and English
Ramanand Sagar
Ramayan
Legend has it that a herb gave new life to man.
ZANDU
Rs.6/- each
Published by
CHANDAMAMA
VIJAYA COMBINES
188, N.S.K. Salai, Vadapalani, Madras-600 026.
Under licence from
SAGAR ENTERPRISES
Natraj Studios, 194, Andheri Kurla Road, Bombay-400 069.
Vol. No. 3 now available at news stands.

PolioPlus

IMMUNIZATION AN ASSURANCE OF GOOD HEALTH TO CHILDREN

VACCINATIONS When and How Many



Age to Start Vaccination	Name of Vaccine	Name of Disease	How Many Times
Birth	**BCG**	**Tuberculosis**	Once
6 weeks	**Polio**	**Polio**	Three times with intervals of at least one month
6 weeks	**DPT**	**Diphtheria Pertussis (Whooping Cough) Tetanus**	Three times with intervals of at least one month
9 months	**Measles**	**Measles**	Once

Babies should receive all vaccinations by the time they are twelve months old.



Pregnant women should get themselves vaccinated against Tetanus (TT) twice—in an interval of at least one month—during the later stages of pregnancy.

HEALTHY CHILD—NATION'S HOPE & PRIDE

Design courtesy : World Health Organisation

বাহ! অতি সুন্দৰ!
কিয়?



Department of Tourism Government of India

HTA 6504 ASS

চান্দমামা

ডিচেম্বাৰ ১৯৮৯

এই সংখ্যাত আছে

অমৰ-বাণী	:	৭
সম্বাদ-বি-সম্বাদ	:	৯
দীৰ্ঘায়ু ৰহস্য	:	১০
ঘণ্টীয়া গাঁতিয়াল	:	১১
দস্যু যুৱৰাজ	:	১৫
একটি মাখল	:	২৩
নিমাতী মাত	:	৩০
জ্ঞান-ভাণ্ডাৰ	:	৩৩
নেহৰু-উপাখ্যান-১০	:	৩৩
সাহসৰ সাৰকথা	:	৪১
কৃষ্ণাৱতাৰ	:	৪৫
অক্ষয় সম্পদ	:	৫৩
সাক্ষী বটবৃক্ষ	:	৫৬
গা চাই গামোচা	:	৫৯
ভাগীৰ ভাগ	:	৬০
প্ৰকৃতিৰ বিস্ময়	:	৬৩

চান্দমামা

খনে : ৩০·০০ মাথোন

বছৰেকীয়া বৰঙণি

৩৬·০০ টকা মাথোন

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চ ক্র পা ণি * বি নাগিৰেড্ডি

শিখৰত বওক শান্তি-নিজৰা

ভাৰত আৰু পাকিস্তানৰ সীমান্তৱৰ্তী-এক সাধাৰণ পাৰ্বত্য ঠাই আজিৰ বাতৰিৰ এক অসাধাৰণ সংবাদ হৈ উঠিছে। যদি দুৰ্ভাগ্যবশতঃ ভাৰত-পাকিস্তানৰ মাজত কেনেবাকৈ পুনৰ যুদ্ধ লাগি পৰে, তেনেহ'লে—ছিয়াচেন নামৰ ৬০০০ মিটাৰ ওখ এই পাৰ্বত্য ঠাইডোখৰেই হৈ উঠিব বিশ্বৰ আটাইতকৈ ওখ যুদ্ধক্ষেত্ৰ। সম্প্ৰতি সেই ঠাই পৰিদৰ্শন কৰি অহা মিত্ৰ এগৰাকীৰ মতেঃ যিমান দিনলৈকে ভাৰত আৰু পাকিস্তানৰ মাজত স্নেহ-সৌহাৰ্দ্যৰ সম্পৰ্ক থাকিব. শিখৰতো শান্তিৰ নিজৰা বৈ থাকিব।

এই শান্তিপূৰ্ণ পাৰ্বত্য ঠাইত পূৰ্ণ শান্তি অটুট ৰাখিবলৈ ভাৰত আৰু পাকিস্তানৰ মাজত বাৰ্তালাপৰ আয়োজন চলি আছে। এই বৰ্তালাপ সফল হওকআৰু বিশ্বত এই সুউচ্চ ঠাইডোখৰ সগৌৰৱে সমুন্নত শিৰ হৈ থাকক--এই সুন্দৰ কামনাৰে আৰু শুভেচ্ছাৰে আমি আমাৰ আশা ব্যক্ত কৰিছোঁ।

বছৰ : ১৪ ডিছেম্বৰ ১৯৮৯ **সংখ্যা : ৯**

খনে : ৩'০০ টকা : : বছৰেকীয়া বৰঙণি : ৩৬'০০ টকা

A CHANDAMAMA PUBLICATION

SANKAR

Sundrops Kids are coy 'n' bookish prim 'n' prudish!

Sundrops Kids. You can spot them a mile away ! Their laughing faces. Their busy, buoyant feet. Their rough 'n' tumble games.

And you can spot their Sundrops Shoes. As colourful, exciting and trendy as this peppy; happy clan. Made of bright, vibrant, easy-to-clean canvas. With a flexible rubber sole to match.

Sundrops Shoes. Not just any kid can walk away in them!

* *Special Festival Offer for 1989*

COLOURFUL CANVAS SHOES FROM Bata

For mischievous young people only!

LINTAS (CAL)/BA/SD/1/2116

পৰেনে মনত জোব্ চাৰ্ণকক ?

কলিকতা আজিৰ পৃথিৱীৰ অন্যতম শ্ৰেষ্ঠ মহানগৰ বুলি স্বীকৃত। কিন্তু তিনিশ বছৰৰ আগতে—আজিৰ এই বিৰাট নগৰখন আছিল এক বিস্তৃত ধাননি পথাৰ আৰু তাৰ মাজে মাজে সৰুসুৰা গাঁৱৰ সমষ্টি মাথোন।

১৬৯০ চনত এই দেশলৈ বেপাৰ-বণিজ কৰিবলৈ অহা এটি বৃটিছ বণিজাৰু দলে--তথা ইস্ট ইণ্ডিয়া কম্প্যানিয়ে জোব্ চাৰ্ণক নামৰ এজন ইংৰাজ যুৱকক হুগলী নদীৰ তীৰৱৰ্তী এই ঠাইলৈ পঠাইছিল বেহা-বেপাৰৰ সা-সুবিধা পৰিদৰ্শনৰ বাবে। তাৰ পাছত বণিজাৰৰ ভেশ লৈ অহা বৃটিছৰ এই দলটো অৰ্থাৎ ইষ্ট ইণ্ডিয়া কম্প্যানিয়ে নিজৰ স্বাৰ্থ-সিদ্ধিৰ বাবে আনৰ দেশ অধিকাৰ কৰাৰ ৰাজনৈতিক ষড়যন্ত্ৰ, যুদ্ধ, প্ৰতাৰণা আদিৰ আশ্ৰয় গ্ৰহণ কৰি আমাৰ দেশ অধিকাৰ কৰিছিল। বৃটিছৰ এই বনিজাৰু-দলৰ জোব্-চাৰ্ণকেই আছিল আজিৰ বিশ্বৰ অন্যতম বিশাল নগৰ কলিকতাৰ প্ৰতিষ্ঠাতা-পুৰুষ।

১৬৯০ চনৰ ২৪ আগষ্টত জোব্ চাৰ্ণকে কলিকাতা মহানগৰৰ ভেটি স্থাপন কৰিছিল।

কলিকতাৰ তিনিশ বছৰ পূৃতি উপলক্ষ্যে কলিকতাৰ ছেইন্ট পলছ চাৰ্চস্থিত (গিৰ্জা) জোব চাৰ্ণকৰ সমাধিস্থলত কলিকতাৰ প্ৰমুখ



ব্যক্তিসকলৰ সহযোগত এক মহতী সন্মিলন আৰু বৃক্ষৰোপণ অনুষ্ঠান পতা হৈছিল।

দীৰ্ঘায়ু-ৰহস্য

গ্ৰেট বৃটেইনৰ কোনোবা এখন গাঁৱত ২৩ অগাস্টৰ দিনা অতি সাধাৰণভাবে এগৰাকী ১১২ বছৰীয়া বয়োবৃদ্ধ ব্যক্তিৰ জন্মোৎসৱ অনুষ্ঠিত হৈছিল। বাতৰিত কোৱা হৈছে যে হয়তো এখেততকৈও বয়োবৃদ্ধ কোনোবা ক'ৰবাত থাকিব পাৰে; কিন্তু সেই তথ্য-পাতি একো নোপোৱাত এইগৰাকীকে বৰ্তমান বিশ্বৰ বয়োবৃদ্ধ বুলি স্বীকৃতি প্ৰদান কৰা হৈছে।

১১২ বছৰীয়া এউ বয়োবৃদ্ধ গৰাকীৰ নাম হ'ল জন্ ইভান্স।

"আপোনাৰ এই দীৰ্ঘ জীৱনৰ ৰহস্য কি ?"—বুলি এক সোধা প্ৰশ্নৰ উত্তৰত তেওঁ কৈছে, "মই জীৱনত কদাপি মদ স্পৰ্শ কৰা নাই, ধুমপান কৰা নাই, কাহানিও কাৰো ওপৰত বিতুষ্ট হোৱা নাই, আৰু জুৱাখেলৰ নামকে লোৱা নাই।"

এওঁৰ বন্ধু-বান্ধৱসকলেও একমুখে ক'লে যে—জন্ ইভান্সক কেতিয়াও মদ-খোৰ, ধূমপান কৰা, জুৱখেলা বা কাজিয়া-কন্দল কৰিবলৈকো তেওঁলোকে দেখা নাই! নিজ জীৱন যাপন তথা মধুৰ আচাৰ-আচৰণেই হ'ল দীৰ্ঘায়ু-ৰহস্যৰ গুৰিকথা।

আচৌটনীয়া গ্ৰন্থ

সম্প্ৰতে ফ্ৰান্সৰ তুলঁ নগৰত অনুষ্ঠিত এক প্ৰদৰ্শনীত দীঘলে চাৰি মিটাৰ, বহলে তিনি মিটাৰ, আৰু ওজনত আঠ টন এখন গ্ৰন্থ প্ৰদৰ্শিত হৈছে।

স্থানীয় এক প্ৰকাশন-সস্থাই তেওঁ-লোকৰ ১৫০ বছৰ পূৰ্তিৰ উৎসৱ উপলক্ষ্যে এই বিৰাট কলেবৰৰ গ্ৰন্থখন প্ৰকাশ কৰিছে। গ্ৰন্থৰ একো একোখন পৃষ্ঠাৰ ওজন ১০০ কিল'গ্ৰাম!

ঘণ্টীয়া গাঁতিয়াল

গিৰিপুৰ
গাঁৱৰ কেশৰদাস
আছিল খাৰু-বেচোঁতা
ফেৰিৱলা। কেশৰে তাৰ চুৰি-
খাৰু আদি সৰু ঠেলাগাড়ী এখনত
উঠাই ঘণ্টা জোকাৰি জোকাৰি ফেৰি
কৰি ফুৰিছিল। সি সুৰ লগাই চিয়ঁৰি চিয়ঁৰি
কৈছিল: "চুড়ি খাৰু কত কি যে আৰু—লাগেনে
কি আই—যি লাগে তাকে পা—ই—ঈ—ঈ—।" ঘণ্টা
জোকাৰি জোকাৰি কোৱা এই কথাখিনি শুনাত বৰ মিঠা
আছিল। এদিন এনেকৈ ঘণ্টা জোকাৰি চুড়ি-খাৰু ফেৰি কৰি কৰি
কেশৰে গৈ গৈ কিমান দূৰ যে পালেগৈ তাৰ ঠিক নাই ঠিকনা নাই। তাৰ
পাছত—যেতিয়া বেলিয়ে লাহ দি ডুবোঁ ডুবোঁ হ'ল, তেতিয়াহে কেশৰৰ ধক
ছুটিল। আহি আহি ইমানদূৰ পাৰহি বুলি সি ভবাই নাছিল। কেশৰ ঘৰমুৱা হ'ল।
সাঁজ চাপি অহা দেখি কেশৰে যিমান পাৰিলে সিমান বেগাইখোজ দি দি গৈ থাকিল,
আৰু এনেতে হঠাৎ আন্ধাৰে-
মুন্ধাৰে বাটৰ দাঁতিকাষৰীয়া
বিৰাট তেঁতেলী এজোপা
জোকাৰ খাই উঠিল।

ঘণ্টেশ্বৰ সোণোৱাল



কেশৰ ৰ'ল, আৰু তেঁতেলী জোপালৈ চালে। গাঁতিয়াল এই তেঁতেলী জোপাত আছিল ডাঙৰীয়াৰ বাহ। আগে কাহানিও নেদেখা নুশুনা ঘণ্টাৰ আকৃতি দেখি আৰু শব্দ শুনি গাঁতিয়াল ডাঙৰীয়াই তললৈ চাই ঘণ্টা জোকাৰি থকা কেশৰক দেখা পালে।

গাঁতিয়াল ডাঙৰীয়াই কেশৰৰ ঘণ্টাটোলৈ গল ভাঙি চালে, আৰু বতাহৰ মাজেদি উৰি আহি কেশৰৰ হাতৰপৰা ঘণ্টাটো একে আঁজোৰতে লৈ, নোহোৰা হৈ দিলে।

গাঁতিয়াল ডাঙৰীয়াক দেখি খাকুৰলা কেশৰ বেঙে মূতা গৰু যেন হৈ পৰিল। কেশৰে জোৰেৰে দৌৰি দৌৰি একে দিগাৰে নামঘৰৰ ওচৰ পালেগৈ আৰু তাত মেল মাৰি থকা মেলুৰৈহঁতৰ আগত গাঁতিয়াল ডাঙৰীয়াৰ কথা বিবৰি ক'লে।

কিন্তু কেশৰৰ এনেবোৰ কচুপাত ফুলা কথালৈ কোনেও সিমান মন-কাণ নকৰা হ'ল। মেলুৰৈহঁতৰ মতে—আন্ধাৰে-মুন্ধাৰে কোনোবা দুষ্ট ল'ৰাই কেশৰৰ ঘণ্টাটো কাঢ়ি লৈ গ'ল। এই ঠাইবোৰত কোনো-কাহানিও কোনেও ভূত দেখাও নাই, আনকি ভূতৰ কথা শুনাও নাই।

তাৰ পাছত ক্ৰমে ক্ৰমে সৰু সৰু ল'ৰা-ছোৱালীৰ বাবে মিঠাইবেচা ফেৰিৱলাৰ ঘণ্টা, আৰু দ'ল-দেৱালয় গিৰ্জাঘৰ-ঘড়ীঘৰৰ ঘণ্টাবোৰ নোহোৰা হৈ থাকিল।

আৰু তেতিয়াহে গাঁৱৰ ৰাইজে কেশৰৰ কথালৈ মন কৰিবলৈ ধৰিলে। কিন্তু তাৰ পাছত যি কাণ্ড হ'ল, সেই কাণ্ডই গাঁৱত এক প্ৰচণ্ড অৱস্থাৰ সৃষ্টি কৰিলে। গাঁতিয়াল ডাঙৰীয়াই যিমানবোৰ ঘণ্টা চুৰ কৰিছিল, আটাইবোৰ গলত বান্ধি লৈ ৰাতিৰ পৰতে টহলি ফুৰিবলৈ ধৰিলে।

এই ঘণ্টায়া গাঁতিয়ালৰ পিণ্ড দান কৰি কেনেকৈ যে খেদিব পাৰি, সেই কথা গাঁৱৰ ৰাইজে ভাবি উলিয়াব নোৱৰা হ'ল। ইতিমধ্যে—ভূতৰ ওজা ভৱিৰামে ভূত খেদাবৰ বাবে চিয়ঁৰ-বাখৰ জঁপিয়া-

জ'পি আৰম্ভ কৰি দিলে। গাঁতিয়ালক গাঁৱৰ বাজ কৰিবই হেনো সি। এদিন গধূলি পৰতে নেমু, আৰু নিমৰ ঠাৰি হাতত লৈ ভবিৰাম গাঁও পালেহি। নেমু কাটি নেমুৰ ৰস বতাহত ছটিয়ালে, আৰু নিমৰ ঠাৰিবোৰ হাতেৰে শূন্যলৈ দাঙি ঘূৰাই ঘূৰাই মন্ত্ৰ আওৰাবলৈ ধৰিলে। মন্ত্ৰ শুনি গাঁতিয়াল ডাঙীয়া আহিল; আহি ওজা ভবিৰামৰ ডিঙিত ওলমি থকা সৰু ঘণ্টাটো কাঢ়ি লৈ গুচি গ'ল।

কাণ্ড দেখি মুণ্ড জোকাৰি থাকিল ভূতৰ ওজা ভবিৰামে। ভবিৰামৰ গুৰু মণিৰামেও একেমুখে ক'লে যে—এনেহেন একাচেকা ভূত জীৱনকালতো ইয়াৰ আগতে লগ পোৱা নাই। গুৰু মণিৰামে ক'লে যে—সিহঁতে জনা মন্ত্ৰেৰে থলুৱা ভূতক খেদিব পাৰিলেও — এনেহেন-গাঁতিয়াল-ঘণ্টীয়াক নোৱাৰি।

এনে পৰিস্থিতিত সেই গাঁৱলৈ আহিল বসন্ত নামৰ ডেকাল'ৰা এজন। বসন্ত চহৰত থাকি পঢ়ে। বসন্তই অহাকাণে-পহুকাণে গাঁতিয়াল ডাঙৰীয়াৰ কথা শুনিলে। শুনি সাহিয়াল বসন্তই ক'লে যে সি গাঁতিয়ালক গাঁৱৰ বাজ কৰিব।

এদিন হাতত ডাঙৰ ঘণ্টা এটা লৈ ৰাতিৰ পৰতে বসন্ত গাঁৱৰ বাটে-পথে টহলি থাকিল। আৰু বসন্তই ভবা মতেই, অলপ পাছত ঘণ্টীয়া গাঁতিয়াল ডাঙৰীয়াই ঘণ্টা

বজাই বজাই বসন্তৰ আগত ৰ'লহি। গাঁতিয়ালক দেখি সাহিয়াল বসন্ত অলপো বিচলিত নহ'ল। তেতিয়া গাঁতিয়ালে চকু পকাই তাৰ মুখৰপৰা জুই উলিয়াবলৈ ধৰিলে। বসন্তই হাঁহি মাৰি ক'লে, "ভালেই হ'ল, জাৰকালি জুই পুৱাবলৈ ভালেই পাইছোঁ।"

বসন্তৰ কথা শুনি গাঁতিয়াল ডাঙৰীয়াই আচৰিত হৈ ক'লে, "মই তো—তুমি তোমাৰ ঘণ্টাটোও পেলাই দৌৰি পলাবা বুলিহে ভাবিছিলোঁ। যি কি নহওক, তোমাৰ সাহস চাই ভাল পাইছোঁ। তোমাৰ ঘণ্টাটো বৰ ভাল। তোমাৰ এই ঘণ্টাটো মোক দিয়া, আৰু ভালে-কুশলে ঘৰৰ ল'ৰা ঘৰলৈ ঘোৰাগৈ ঘোৰা।"

গাঁতিয়াল ডাঙৰীয়াৰ কথাৰ উত্তৰত বসন্তই ক'লে, "ঘণ্টাৰে তুমি কি কৰিবা? এই ঘণ্টা তুমি বজাব নোৱাৰিবা।"

"হে হে হে হে—হেঃ!" গাঁতিয়াল ডাঙৰীয়াই হাঁহি মাৰি ক'লে, "মই বজাব নোৱাৰিম! আঁ—! মোৰ ডিঙিত কিমান ঘণ্টা দেখিছানে? এইবোৰ বজালে তোমাৰ কাণ ফাটি যাব আৰু তুমি কলা হৈ যাবা।" এই বুলি কৈয়েই গাঁতিয়াল ডাঙৰীয়াই ঘণ্টা-বাদন আৰম্ভ কৰি দিলে।

বসন্তই ক'লে, "শুনা, এটা চৰ্তত তোমাক এই ঘণ্টাটো দিব পাৰোঁ। ঘণ্টাটো লৈ গাঁও এৰি গুচি যাবলাগিব।"

"কিনো ডাঙৰ কথা? —যাম এৰি।" এই বুলি কৈ গাঁতিয়াল ডাঙৰীয়াই বসন্তৰ পৰা ঘণ্টাটো ল'লে। কিন্তু চেষ্টা কৰিও ঘণ্টাটো বজাব নোৱাৰি ক'লে, "তুমি ঘণ্টাটো মোক বজাই শুনোৱাচোন, তেতিয়া মই গাঁও এৰি গুচি যাম।"

বসন্তই ঘণ্টাটো জোৰেৰে জোকাৰি বজাই দিয়াৰ লগে লগে বসন্তৰ হাতৰপৰা ঘণ্টাটো লৈ গাঁতিয়াল ডাঙৰীয়াই চৰ্ত মানি গাঁও এৰি গুচি গ'ল।

দস্যু যুৱৰাজ

২

শান্তিৰ
ৰাজ্য শান্তিপুৰৰ
সেনাপতি বীৰসিংহৰ
যড়যন্ত্ৰৰ ফলত কেনেকৈ
অশান্তিৰ কবলত পৰিল, কেনেকৈ
মহাৰাজ শান্তিদেৱক বন্দী কৰি এই ৰাজ্য
দখল কৰাৰ চক্ৰান্ত পাভিছিল, সেই কথা মহাৰাজ শান্তিদেৱে
ৰাণীক সবিস্তাৰে ক'ব নোৱাৰিলে; যদিও থোৰতে প্ৰায় সকলো
বুজাই ক'লে আৰু তেওঁলোকৰ নৱজাত পুত্ৰসন্তানৰ প্ৰাণৰক্ষা কৰাৰ
বাবে মহাৰাণীক শয়নকক্ষৰ গুপ্ত দ্বাৰেদি তথা গুপ্ত সুড়ংগ-পথেদি
শিশুসন্তানটি লৈ পলাই যাবলৈ ক'লে। কিন্তু মহাৰাজক বিপদ ৰ মাজত এৰি থৈ
গুচি যাবলৈ মহাৰাণীয়ে টান পোৱাত ৰজাই প্ৰায় জোৰ কৰি মহাৰাণীক শিশুসন্তানটিৰে
সৈতে মহাৰাণীক সুড়ংগৰ ভিতৰলৈ সুমুৱাই দিয়াৰ লগে লগেই মহাৰাজৰ শয়নকক্ষৰ
দুৱাৰত বিৰাট শব্দ উঠিল আৰু মহাৰাজে তৰোৱাল
দাঙি কৈ উঠিল "কোন ? কোন
তাত ? কি লাগে ? তুৰন্তে
কোৱা।" আৰু তাৰ পাছত...

আৰু হঠাৎ বজ্ৰকণ্ঠেৰে বাহিৰৰপৰা কোনোবাই চিয়ঁৰি উঠিল, "দুৱাৰ খোলাঁ!"

অলপ সময়লৈ ৰজা শান্তিদেৱ মনে মনে থাকিল আৰু তেতিয়া শয়নকক্ষৰ বাহিৰৰ-পৰা পুনৰ প্ৰচণ্ড চিৎকাৰ উঠিল, "তুৰন্তে দুৱাৰ খোলাঁ!"

মহাৰাজ শান্তিদেৱে খিৰিকীৰ মাজেদি বাহিৰলৈ জুমি চালে। শয়নকক্ষৰ বাহিৰত তেওঁ দহজন অচিনাকি চিপাহীক দেখা পালে। মহাৰাজে ভাবিলে: জানোচা বীৰসিংহই এই চিপাহীবিলাকক চুবুৰীয়া ৰাজ্যৰপৰা খুজি লৈ আহিল।

ইপিনে বাৰে বাৰে চিয়ঁৰা সত্বেও দুৱাৰ নোখোলাত চিপাহীবিলাকে গধুৰ গা-গছ এডোখৰ ক'ৰবাৰপৰা আনি দুৱাৰত জোৰে জোৰে খুন্দিয়াই খুলিবলৈ চেষ্টা কৰি থাকিল। এবাৰ সিহঁতকেটাই সেই বিৰাট গা-গছৰ সৈতে হুঁহকি গ'ল, আৰু পাছ মুহূৰ্ত্ততে পুনৰ দৌৰি বেগাই দুৱাৰৰ পিনে লৰৰি আহিল, আৰু ঠিক তেতিয়াই ছেগ বুজি মহাৰাজে দুৱাৰ খুলি দিয়াত আটাইবোৰ চিপাহী হামখাৰ খাই ইটোৱে সিটোৰ গাত পৰিলগৈ। তেতিয়া মহাৰাজে চোকৰ তৰেৱালেৰে সিহঁতকেটাক আক্ৰমণ কৰিলে আৰু সিহঁতে কি হৈছে-নহৈছে টলকিবলৈ নৌপাওঁতেই দুটামানক ঘচং ঘচংকৈ নিমষতে কচুকটা দিলে।

মহাৰাজে চোকৰ তৰোৱাল দাঙি লৈ সিহঁতকেটাৰ ওপৰত আকাশী চৰগ পৰা দি পৰা দেখি বাকী চিপাহীকেইটাই তৰ্দ্ধনি খাই পলাই যি যেনিয়েদি পাৰিলে ঘিটিং মাৰিবলৈ চেষ্টা দিলে।

আৰু সেই মুহূৰ্ততে কোনোবাই কৈ উঠিল "চিপাহীহঁত! তোমালোক বীৰৰ জাত হৈ পলাইছা কিয়? এই মহাৰাজ বোলাটোক যেনেতেনে মাৰি পেলোৱা। নহ'লে তোমালোকেই মৰিবা—কুকুৰাৰ হাতত পৰিলেও মৰিবা, নহ'লে পঞ্চমুখীয়াৰ হাতত। ক'লৈকো এখোজ নাযাবা

ইয়াৰপৰা! খৱ—দাঁৰ!"

মহাৰাজ শান্তিদেৱে বুজি পালে যে এই কণ্ঠস্বৰ সেই ষড়যন্ত্ৰী বৰাই নোখোৱা কচু বীৰসিংহত বাজে আন কাৰো নহয়।

উপায়ন্তৰ নহৈ মহাৰাজে তেওঁৰ শয়নকক্ষৰ খোলা দুৱাৰেদি জঁাপ মাৰি ওলাই গৈ বিপৰীত ফালে থকা দীঘল খটখটি বগাই দ্ৰুত গতিৰে ওপৰলৈ গৈ থাকোঁতেই দুটামান চিপাহীয়ে তৰোৱাল দাঙি মহাৰাজক খেদি গ'ল। মহাৰাজ শান্তিদেৱে সিহঁত দুটাক লগে লগে ঘুৰিয়াই তললৈ বগৰাই পেলালে আৰু একে আঁজোৰতে খটখটিৰ শেষ প্ৰান্তৰ দুৱাৰখন খুলি ৰাজপ্ৰাসাদৰ চালত মোটা-মোটি নিৰাপদভাৱে থিয় হ'লগৈ।

"তাক হত্যা কৰা, মাৰি পেলোৱা! এপেটাৰি সোণৰ মোহৰ ল'বা যদি—তাক মাৰি পেলোৱা। পুৰস্কাৰ—এপেটাৰি সোণৰ মোহৰ!" প্ৰাসাদৰ চাললৈ যোৱাৰ খটখটিৰ ওপৰত থিয় হৈ কোনোবাই চিপাহীবিলাকক এনেবোৰ কথাৰে উত্তেজিত কৰি থাকিল।

"সোণৰ মোহৰ! সোণৰ মোহৰ! এপেটাৰি সোণৰ মোহৰ!" বুলি কৈ কৈ ভালেমান চিপাহীয়ে মহাৰাজক মাৰি পেলাবলৈ খটখটি বগাই দৌৰি দৌৰি উঠিবলৈ ধৰিলে।

"এয়া লোৱা সোণৰ মোহৰ!" এই বুলি কৈয়েই মহাৰাজে প্ৰাসাদৰ চালৰ দুৱাৰৰ একাষৰপৰা দুটা চিপাহীক একেলগে ঘপিয়ালে। চিপাহী দুয়োটায়েই খটখটিৰ ওপৰতে চিত-ভোলোঙা খাই পৰিল আৰু "আই ঔ! মৰিলোঁ ঔ!" কৈ কৈ চিঞৰি হুৰযুৰকৈ তললৈ বাগৰি পৰিল।

মহাৰাজ শান্তিদেৱ এতিয়া সুৰক্ষিত ঠাইতআছে। খটখটি বগাই যিমানেই শত্ৰু-চিপাহী নাহক. তেওঁ সহজেই সিবিলাকক ঘপিয়াই যমৰ আলহী কৰি দিব পাৰিব। কিন্তু এটা দৃশ্য দেখি তেওঁ অলপ দমি

গ'ল। বীৰসিংহৰ কিছুমান সৈন্যই দীঘল জখলা এখন প্ৰাসাদৰ চালৰ লগত লগাই চাললৈ উঠি আহিবলৈ চেষ্টা কৰিছে। বস্তুতঃপক্ষে, মহাৰাজে প্ৰথমৰেইপৰাই এনেবিধৰ আশংকা এটা কৰিছিল।

এনেতে—হঠাৎ এটা দৃশ্য দেখি মহাৰাজে সেই বিশাল আহল-বহল চালৰ লিহলিহীয়া জখলাৰে বগাই প্ৰাসাদৰ চাল প্ৰায় পাওঁ পাওঁ হোৱা বীৰসিংহৰ চিপাহী এটাক ভৰিৰে গোৰ মাৰি তললৈ পেলালে। আন কেটামান চিপাহীও জখলা বগাই প্ৰাসাদৰ চাললৈ উঠিবলৈ ধৰাত মহাৰাজে সেই জখলাখনকো বগৰাই দিব পাৰেনে কি ভাবি চালে।

কিন্তু—এই কথা ভাবি থাকোঁতেই কেটামান চিপাহীয়ে প্ৰাসাদৰ চাল পালেহিয়েই, আৰু পিছে পিছে আন কেইটামানো পাওঁ পাওঁ হ'ল। মহাৰাজে বুজি পালে যে—আৰু তেওঁৰ ৰক্ষা নাই। তেওঁ যিমানেই শক্তিশালী নহওক, অকলে কেনেকৈনো ইমানবোৰৰ বিৰুদ্ধে যুঁজিব?

ইমান বিষম বিপদৰ মাজতো এটা কথা ভাবি মহাৰাজে পৰম শান্তি লভিলে যে—পুত্ৰটিৰে সৈতে মহাৰাণীক সুড়ংগ পথেৰে তেওঁ বিশ্বাসঘাতীবীৰসিংহই নজনা এক অজ্ঞাত ঠাইলৈ পঠাই দিব পাৰিছে। সেইফালৰপৰা তেওঁ মোটামুটি নিঃচিন্ত।

তিমানতে মহাৰাজক পদূলিশুদা উৰুলি-

পুডা গৰুৰা-গলা ঘঁটীয়া-শিঙৰা বীৰসিংহৰ ভেৰোণীয়া চিপাহীবিলাকে প্ৰায় আঙুৰি ধৰিছেহি তিনিও ফালৰপৰা। আৰু সিহঁতৰ পিছফালে একাষৰীয়া হৈ থকা অশ্ৰদ্ধাৰ ওকণী বীৰসিংহক দেখা পায়েই মহাৰাজ জ্বলি-পকি উঠি ক'লে, "বিশ্বাসঘাতক! পাপী! হাৰামখোৰ! পাৰিলে নিজক ৰক্ষা কৰ।" এই বুলি কৈয়েই মহাৰাজে শাস্তিদেৱে চকচকীয়া ডেগাৰ এখন টোঁৱাই সজোৰে বীৰসিংহলৈ দলিয়াই পঠালে। ধূৰ্ত কৌশলী বীৰসিংহ একাষৰীয়া হৈ আঁতৰি দিয়াত কাণে কাণ মাৰি ৰক্ষা পৰিল; কিন্তু বীৰসিংহৰ বাঁও কাণখন অলপ কটা গ'ল।

"এই হাৰামৰ নেগুৰটোক মাৰি পেলোৱা!" বীৰসিংহই উগ্ৰ ক্ৰোধতে গৰ্জি উঠিল, আৰু বীৰসিংহৰ চিপাহী-বিলাকেও মহাৰাজলৈ বুলি খেদি গৈয়েই অবাক বিস্ময়ৰে চালে যে—মহাৰাজে তিমানতে এছেগত কেনেবাকৈ বীৰসিংহৰ চিপাহীহঁত উঠি অহা সেই জখলাখনেৰে তললৈ নামিব ধৰিছে!

"জখলাখন তললৈ বগৰাই দিয়া, তুৰন্তে জখলাখন বগাৰাই দিয়া! বীৰ-সিংহই আদেশ দিলে। সেই জখলাখনেৰে তেতিয়াও বীৰসিংহৰ কেটামান চিপাহীয়ে বগাই উঠিব ধৰিছিল আৰু মহাৰাজ জখলাখনৰ মাজভাগ পাৰ হৈ গৈছিল।



পাইছিলগৈ। গতিকে—মহাৰাজক বন্দী কৰিবলৈ তাত তেতিয়া কোনো নাছিল।

জখলাখন বগৰাই পেলাওঁতে বীৰসিংহৰ যিকেইটা চিপাহী জখলা বগাই উঠিব ধৰিছিল, সেইকেইটা চিপাহী জখলাৰ তলত চেপা খাই ককবকাই আছিল। এতিয়া—বীৰসিংহৰ চিঞৰ শুনি সিহঁতে ওপৰমুৰা হৈ চালে আৰু কেনেবাকৈ উঠি থিয় দিলে। বীৰসিংহই সিহঁতকেটাক চিঞৰি চিঞৰি ক'লে, "আৰে মূৰুখৰ পো মূৰখহঁত, তহঁতৰ মগজুত বুদ্ধিৰ নামত কণামাকৰি এটাৰ সমানো একো নাইনে? যেনেতেনে প্ৰাসাদৰ দেৱালত বগাই উঠি সৌ ডালডঙুৰা কেল্লেনীয়া মহাৰাজ বোলাটোক একে ঘাপে খতম্ কৰি দে আৰু সোণৰ পেটাৰিটো লৈ যা। মাৰ ইয়াক, মাৰি পেলা!"

ৰাজপ্ৰাসাদৰ ওখ গড়ৰ, অৰ্থাৎ প্ৰাচীৰৰ কাষেদিয়েই সুমতি নৈ ফেনেফোটোকাৰে বৈ গৈছিল। প্ৰাচীৰৰ ওপৰত থিয় হৈ মহাৰাজে এতিয়া তেওঁৰ কৰ্তব্য কি—ভাবি থাকিল।

আৰু এই কথা ভাবি থাকোঁতেই তেওঁ স্বয়ং সেনাপতি বীৰসিংহৰ হাতত তেওঁলৈ টোঁৱাই ধৰা বৰছাডাল দেখা পাই উচপ খাই উঠিল। কিয়নো—বীৰ-

গতিকে — জখলাখন তললৈ বগৰাই দিয়াতো মহাৰাজ বৰ বেছি বিপাঙত পৰা নাছিল। জখলাখন তললৈ পৰিবলৈ ধৰোঁতেই মহাৰাজ জখলাৰপৰা জঁাপ মাৰি প্ৰাসাদৰ প্ৰাচীৰৰ ওপৰত পৰিলগৈ। বীৰসিংহই তেতিয়ালৈকো ওপৰৰপৰা "জখলাখন তললৈ বগৰাই দিয়া, বগৰাই দিয়া"—বুলি চিঞৰিয়েই আছিল।

তাৰ পাছত—মহাৰাজক বন্দী কৰিবলৈ বীৰসিংহ ৰাজপ্ৰাসাদৰ চালৰপৰা চিঞৰি থাকিল; কিন্তু এপেটাৰি সোণৰ লোভত তিমানতে বীৰসিংহৰ আটাইবিলাক ভেৰোণীয়া চিপাহীয়েই প্ৰাসাদৰ চাল

সিংহৰ লক্ষ্যবস্তু হয় অভ্রান্ত। এই 'লক্ষ্য'ৰ শলাগ লৈয়েই তেওঁ বীৰসিংহক সেনাপতি পাতিছিল।

বীৰসিংহই লক্ষ্য স্থিৰ কৰি-মহাৰাজলৈ বৰছা সজোৰে নিক্ষেপ কৰিলে।

আৰু লগে লগে সেই সুউচ্চ প্ৰাচীৰৰপৰা মহাৰাজ শান্তিদেৱ যেনিবা ভোজবাজীৰ দৰে অদৃশ্য হৈ পৰিল!

এইবাৰ বীৰসিংহই বীৰ বিক্ৰমে প্ৰাসাদৰ প্ৰাচীৰলৈ চালৰপৰা জাঁপ মাৰি পৰিল; কিন্তু মহাৰাজৰ কোনো চিন-মোকামো তাত দেখা নাপাই ভাবিলেঃ হয় বৰছাৰ কোব খাই মহাৰাজ নৈত পৰি মৰিল নতুবা তেওঁ নিজেই নৈৰ বুকুলৈ জঁপিয়াই পৰিল। তেওঁ বাৰু—আৰু জীয়াই আছেনে?"

তিমানতে বীৰসিংহৰ ভালেমান চিপাহী প্ৰাসাদৰ প্ৰাচীৰ পাইছিলহি। বিভ্ৰান্ত বীৰসিংহই চিপাহীহঁতক সুধিলে, "মোৰ বৰছাই মহাৰাজক বিন্ধা তোমালোকৰ কোনোবাই দেখা পাইছানে?"

"মহাৰাজ!" এটা লেমলেমীয়া লেমটৌ চিপাহীয়ে বীৰসিংহক কৈ উঠিল, "আপোনাৰ লক্ষ্যও বাৰু ভুল হ'ব পাৰেনে? কালৰো তুল হ'ব পাৰে, পিছে—আপোনাৰ কদাপি ভুল নহ'ব, হ'বই নোৱাৰে, মহাৰাজ!"

"চুপ থাকা!" বীৰসিংহই গৰ্জি উঠি ক'লে, "বৰছাই ঠিকমতে লক্ষ্যবস্তুৰ আঘাত কৰিছিল যদি — তোমালোকৰ মাজত নিশ্চয় কোনোবাই দেখিছিলা। এইবোৰ আংবাং কথা নোচোবাই চাফ্ চাফ্‌কৈ কোৱা—কোনোবাই মহাৰাজক বৰছাই বিন্ধা দেখা পাইছিলানে? মিছাকৈ ক'লে তোমালোককো কিন্তু শুদাই নেৰিম।"

এই বুলি কৈ, বীৰসিংহই সেই ফেনে-ফোটোকাৰে বৈ যোৱা নৈৰ বুকুলৈ একেথিৰে টঁ টঁকৈ চাই থাকিল। [আগলৈ



ওকটি-মাখল

প্ৰতিজ্ঞাবদ্ধ
ৰজা বিক্ৰমাদিত্য
পুনৰ সেই বিশেষ
গছজোপাৰ ওচৰলৈ উভতি
গ'ল আৰু গছৰ ডালত ওলমি
থকা শ'টো নমাই আনি কান্ধত পেলাই
লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ
থাকিল। তেতিয়া শ'ৰ মাজত থকা
বেতালে কৈ উঠিল. "হে ৰজা, তুমি
নিশ্চয় কেৱল নিজৰ কাৰণেই নহয়.
যিসকলৰ কাৰণে এনেকৈ নিৰলস ভাবে
শ্ৰম কৰিছা, সিসকলে তোমাৰ এই
নিষ্ঠাৰ উচিত মূল্য দিবনে ? এই প্ৰসংগত
মই আজি তোমাক শূৰসেনৰ কাহিনী কওঁ
শুনা, যিজন শূৰসেনে অনুচিত ব্যৱহাৰ
কৰি ওকটি-মাখল গাইছিল।" ৰজাক
এই বুলি কৈ বেতালে ক'বলৈ ধৰিলে :

'বেতাল-কথা'

তেতিয়াৰ কালত গান্ধাৰ দেশৰ ৰজা আছিল শূৰসেন। তেওঁ কেৱল কুশল শাসকেই নাছিল, তেওঁ এগৰাকী প্ৰাজ্ঞ বিদ্বান ব্যক্তিও আছিল। কলাবিদ্যালৈ তেওঁৰ আছিল আন্তৰিক শ্ৰদ্ধা। চিত্ৰকলা-নৃত্যকলালৈ আছিল বিশেষ আকৰ্ষণ।

এদিন ৰাজভট্টদেৰে এজনী জীৰ্ণ-শীৰ্ণ যুৱতীক ৰাজসভালৈ লৈ আহিল। এই যুৱতীৰ আনকি পিন্ধনৰ বস্ত্ৰও আছিল জীৰ্ণ-দীৰ্ণ, চুলিটাৰি যোঁট লগা. আৰু দুখীয়াৰো দুখীয়া। ৰজা শূৰসেনক ৰাজ-ভট্টই ক'লে, "মহাৰাজ, এই যুৱতী স্বৰ্ণ মুখী নৈত উটি আহিল। মই নৈৰপৰা উঠাই আনি এওঁক এওঁৰ পৰিজনৰ সম্পৰ্কে প্ৰশ্ন কৰাত কোনো উত্তৰ দিয়া নাই, কেৱল কান্দিহে আছিল।"

ৰজা শূৰসেনে যুৱতীলৈ চাই অবাক মানিলে। কিয়নো—ইমান জীৰ্ণ-শীৰ্ণ অৱস্থাতো এই যুৱতীৰ অসামান্য ৰূপৰাশি ফুটি ওলাইছিল। যেনিবা—পেকতহে পদুম। ৰজা শূৰসেন বিমোহিত হৈ পৰিল।

ৰজা শূৰসেনে পুতৌভৰা কণ্ঠেৰে যুৱতীক সুধিলে, "তুমি কোন? তুমি মোৰ ওচৰত তোমাৰ পৰিচয় দিয়া। নৈৰ পানীত কেনেকৈ পৰিছিলাগৈ কোৱা।"

ৰজাৰ প্ৰশ্নৰ উত্তৰত যুৱতীয়ে তাইৰ দুয়োখন হাতেৰে মুখখন ঢাকি পুনৰ কান্দি উঠিল। মুহূৰ্তমানলৈ ভাবি লৈ শূৰসেনে ক'লে,"ঠিক আছে, আপাততঃ এই যুৱতীক মহাৰাণীৰ জিম্মাত [দায়িত্বত] থৈ দিয়া হওক।"

সেই দিনাই গধূলি পৰতে শূৰসেন ৰাণী লীলাৱতীৰ ওচৰলৈ গ'ল, আৰু তেওঁক ক'লে, "দেৱী, মই আজি যিজনী যুৱতীক তোমাৰ ওচৰলৈ পঠাইছিলোঁ—তাই সুস্থ হৈ উঠিলনে? তাইৰপৰা কিবা জানিব পাৰিলানে তুমি?"

"নোৱাৰিলোঁ। কেৱল ইমানকে জানিব পাৰিলোঁ যে — তাইৰ নাম

মল্লিকা। কিন্তু—মই কেনেবাকৈ জানিব পাৰিছোঁ যে—এই যুৱতী সাধাৰণ যুৱতী নহয়, এই যুৱতী হ'ল এক অসাধাৰণ কলাৱতী।" এই কথা কোৱাৰ অন্তত মহাৰাণী লীলাৱতীয়ে তেওঁৰ সখিয়েক এজনীলৈ কিবা ইংগিত কৰিলে।

সখিয়েকে তৎক্ষণাৎ চিত্ৰ এখন মহাৰাজৰ হাত দিলে। এই চিত্ৰখনলৈ চাই ৰজা শূৰসেন চমকি উঠিল। কিয়নো—আগবেলা ৰাজসভাত মল্লিকাই যেনেকৈ থিয় হৈ আছিল, এই চিত্ৰৰূপো হুবহু তেনেকুৱা। বিস্মিত শূৰসেনে সুধিলে, "এই চিত্ৰ—আঁকিলে কোনে?"

ৰাণী লীলাৱতীয়ে ক'লে, "এই চিত্ৰ-চিত্ৰিতকাৰিণীয়েই হ'ল সেই চিত্ৰাৰ্পিতা চিত্ৰকাৰিণী।"

"কি!" ৰজা শূৰসেনে পুনৰ সুধিলে, "মই ঠিক শুনিছোঁনে?"

"হয়, ঠিকেই শুনিছে মল্লিকায়েই নিজৰ চিত্ৰ নিজেই আঁকিছিল। আৰু তাই কেৱল চিত্ৰকাৰিণীয়েই নহয়. তাই নৃত্য-কলাবিদো। তাই আৰু কৈছে যে—আপোনাক নৃত্য প্ৰদৰ্শনো কৰিব।"

"মই সন্মত।" ৰজা শূৰসেনে ক'লে।

আৰু — নৰ্তকীৰ বেশত ৰাজসভাত মল্লিকাক দেখি ৰজা শূৰসেন একেবাৰে বিমোহিত হৈ পৰিল।

শূৰসেনে অনুমতি দিয়াৰ পাছ মুহূৰ্ততে মল্লিকাই ৰজাক, আৰু ৰাজসভাৰ সকলোলৈকে নমস্কাৰৰ অন্তত নৃত্য প্ৰদৰ্শন আৰম্ভ কৰিলে।

নৃত্যৰ সমাপ্তিত ৰজা শূৰসেনে হাত চাপৰি ৰজাই ক'লে, "চাবাইচ! মল্লিকা, তুমি মল্লিকা নহয় — তুমি হ'লা ময়ূৰ-কন্যা। তুমি নটৰাজ মহাদেৱৰ আশীৰ্বাদ-পুষ্টা নৃত্য-পটিয়সী। তোমাৰ আগমনৰ ফলত আমাৰ এক ডাঙৰ অভাৱ পূৰণ হ'ল।"

তাৰ পাছত, ৰজা শূৰসেনে ৰাজ-সভাৰপৰা পোনে পোনেই তেওঁৰ গুপ্ত

"মই যুৱতীক এই স্থান দিয়াৰ নিশ্চয়তা প্ৰদান কৰিলোঁ। গতিকে — সিদ্ধান্ত পৰিৱৰ্তন কৰা অসম্ভৱ।" ৰজাই ক'লে।

ৰজা শূৰসেনে পুনৰ ক'লে, "মল্লিকাক নভবা-নিচিন্তাকৈ কথা দি মই যে ভুল কৰিলোঁ, মানি লৈছোঁ। কিন্তু মোৰ অংগীকাৰ মইতো পালন নকৰি নোৱাৰিম। হ'ব পাৰে—আপোনাৰ ধাৰণায়েই ঠিক —যে তাই কোনোবা দেশৰ গুপ্তচৰ, বা তেনেকুৱা আন কিবা। যিয়েই যি নহওক, আমি সকলোফালৰপৰ যথেষ্ট সাৱধান হৈ থাকিলেই হ'ল?"

ৰজাৰ এই বক্তব্য শুনি মহামন্ত্ৰী কেশৰভট্টই ভাল নাপালে। সেইহে, তেওঁ এই কথাৰ উত্তৰত মৌন হৈ থাকিয়েই তেওঁৰ প্ৰতিবাদ জ্ঞাপন কৰিলে।

মল্লিকা এতিয়া গান্ধাৰদেশৰ ৰাজ-নৰ্তকী। মল্লিকাই অঁকা চিত্ৰেৰে ৰাজ-প্ৰাসাদ অলংকৃত কৰা হ'ল। সাধাৰণ নাগৰিকৰপৰা প্ৰমুখ ব্যক্তি—সকলোটিয়েই মল্লিকাৰ সৌন্দৰ্য্যৰ তথা নৃত্যপটুতাৰো পঞ্চমুখে শলাগ লোৱা হ'ল। মল্লিকাৰ নাম মুখে মুখে প্ৰচাৰিত হৈ থাকিল।

কিন্তু ৰজা শূৰসেনে তেওঁৰ কৰ্তব্য বিস্মৃত নহ'ল। তেওঁ মল্লিকাৰ ওপৰত তীক্ষ্ণ নজৰ ৰাখিবলৈ কেইবাজনো

মন্ত্ৰণালয়লৈ গ'ল আৰু মহামন্ত্ৰী কেশৰভট্টক মাতি আনিবলৈ আদেশ দিলে।

মহামন্ত্ৰী তৎক্ষণাৎ আহি পালেহি, আৰু ৰজা শূৰসেনে তেওঁক মল্লিকাৰ কথা আনুপূৰ্বিক কোৱাৰ অন্তত মল্লিকাক ৰাজ-নৰ্তকীৰূপে নিযুক্তিৰ কথা ক'লে।

মহামন্ত্ৰী কেশৰভট্টই ক'লে, "মহাৰাজ! এয়ানো আপুনি কি কৰিলে? কোনোবা সৌন্দৰ্য্যৱতী তথা চতুৰ নাৰীৰ সম্পৰ্কে উত্তমৰূপে নাজানি-নগমি এই কাৰ্য্য কৰা উচিত হোৱা নাই আপুনি এই নাৰীক ৰাজসভাত ঠাই দিয়ে যদি দিয়ক—কিন্তু প্ৰধান স্থান দিয়াৰপৰা বিৰত হওক।"



চৰিয়াক নিযুক্ত কৰিলে। কিন্তু ৰজা শূৰসেনৰ আচল অৱস্থা হ'ল—সেই যে কথাত ৰোলে 'চোৰ গ'লে বুধি আৰু বৰষুণ গ'লে জাপি'—সেই বিধৰ। শূৰসেনে পাছত যেতিয়া জানিব পাৰিলে যে মল্লিকা হ'ল চুবুৰীয়া কলিংগদেশৰ অনুচৰ, তিমানতে কলিংগৰ সেনা বাহিনীয়ে গান্ধাৰদেশ আক্ৰমণ কৰিলেই। গান্ধাৰ-দেশ এনে আকস্মিক আক্ৰমণৰ বাবে সাজু হৈ থকা নাছিল, গতিকে কলিংগ-ৰজা বিকৰ্ণই অতি সহজেই গান্ধাৰ অধিকাৰ কৰিব পাৰিছিল।

ৰাণী লীলাৱতীক তেওঁৰ সখিয়েক এজনীয়ে আৰু লগতে শূৰসেনক অতি বিশ্বস্ত কেইজনমান সৈনিকে গুপ্ত সুড়ংগৰ বাটেৰে লীলাৱতীক চম্পকদেশলৈ লৈ গ'ল। চম্পকদেশৰ ৰজা আছিল ৰাণী লীলাৱতীৰ পিতৃদেৱ।

ইপিনে শূৰসেনো নিজ ৰাজ্য এৰি পলাল আৰু ভীল-ৰাজ্যৰ ৰজাৰপৰা সহায় প্ৰাৰ্থনা কৰিবলৈ ভীলৰাজ্যলৈ গৈ থাকিল। বাটত কিছুমান মানুহে এজন জ্যোতিষীক হাতৰ ৰেখা দেখুৱাব ধৰা দেখি শূৰসেনো সেই জ্যোতিষীৰ কাষ চাপিল।

জ্যোতিষীয়ে ৰজাৰ হস্তৰেখা বিচাৰ কৰি ক'লে, "এই হস্তত ৰজা হোৱাৰ যোগ দেখা গৈছে। আপুনি নিশ্চয় কিবা ভুল কৰিছিল, আৰু সেই কাৰণে আপোনাৰ সকলো ভেস্তি গৈছে আৰু আপুনি এতিয়া পস্তাইছে। কিন্তু আপোনাৰ এই দুৰ্ভাগ্য বৰ বেছি দিনলৈ স্থায়ী নহ'ব। সকলো ফালৰেপৰাই আপোনাৰ কুশল হ'ব।"

তেতিয়ালৈকে ৰজা শূৰসেনে ভাবি আছিল যে তেওঁ নিজৰ দুৰ্বুদ্ধিত নিজেই ৰাজ্যহাৰা হ'ল। কিন্তু জ্যোতিষীৰ কথাত যেনিবা বুকুত নতুনকৈ বল পোৱা হ'ল আৰু আত্মবিশ্বাস ঘূৰাই পালে।

তাৰ পাছত ৰজা শূৰসেনে যেতিয়া

পুনৰ খোজ ল'লে. ঠিক তেতিয়াই এজন হালোৱাৰ হস্তৰেখা চাই জ্যোতিষীয়ে কৈ উঠিল, "এহ্! এই হাত দেখিছোঁ— ৰজাৰ হাতকো চেৰাই যোৱা হাত। এতিয়া তুমি দুখীৰো দুখীটো হৈ আছা, হয়. কিন্তু অতি শীঘ্ৰ তুমিও দেখিছোঁ ৰজা হ'ব পাৰিবা।"

জ্যোতিষীৰ কথা শুনি শূৰসেনে হাঁহিলে আৰু ভীল ৰাজ্যলৈ বুলি খোজ বঢ়ালে।

এই ঘটনাৰ কিছুদিনৰ অন্তত ৰজা শূৰসেনৰ শহুৰেক চম্পকদেশৰ ৰজাই কলিংদেশ আক্ৰমণ কৰিলে, আৰু শূৰসেনেও ভীল-ৰজাৰ সহায়ত কলিংগৰাজ বিকৰ্ণক বোন্দা থেকেচা দিবলৈ ধৰিলে। আৰু তাৰ তাৰ পাছত এদিন ৰজা শূৰসেন গান্ধাৰ আৰু লগতে কলিংগদেশ অধিকাৰ কৰি কলিংঘদেশৰো ৰজা হ'ল।

পুনৰ ৰাজত্ব ঘুৰাই পোৱাৰ অন্তত ৰজা শূৰসেনে মল্লিকাক মতাই অনাই কঠিন মাতেৰে ক'লে, "মল্লিকা, এতিয়া যে কলিংগদেশো মোৰ অধীনস্থ হ'ল— জানাই নহয় তুমি?"

মল্লিকাই নিৰৱে মূৰ দুপিয়ালে।

"আৰু এটা কথা শুনা। তুমি হ'লা ৰজা শূৰসেনৰ ৰাজ-নৰ্তকী। নৰ্তকীয়েই মাথোন, বুজিছানে?" শূৰসেনে ক'লে।

তাইক ৰজা শূৰসেনে নিশ্চয় দণ্ড বিহিব এই কথাত মল্লিকাই ভীতা হৈ হৈ:পৰিছিল; কিন্তু দণ্ডৰ পৰিৱৰ্তে মুক্তি পাই শূৰসেনলৈ কৃতজ্ঞ দৃষ্টিৰে চাই মল্লিকা তাৰপৰা ওলাই গুচি গ'ল।

তাৰ পাছত শূৰসেনে জ্যোতিষীক মতাই অনালে আৰু ক'লে, "আজিৰপৰা তুমি আৰু কদাপি ভৱিষ্যদ্বাণী নামাতিবা। তোমাক মই ৰজাৰ কাৰ্য্যবাহী হিচাপে নিযুক্ত কৰিলোঁ।"

তাৰ পাছত ৰজা শূৰসেনে তেওঁৰ ৰাজ্যত জীৱিকা হিচাপে জ্যোতিষীৰ প্ৰয়োগ নিষিদ্ধ কৰিলে। জ্যোতিষ

বিদ্যা কেৱল শাস্ত্র-চৰ্চাতহে প্ৰযুক্ত হ'ব।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক ক'লে, "হে ৰজা, ৰজা শূৰসেনৰ আচৰণ নীতিবিৰুদ্ধ নাছিলনে? তেওঁক প্ৰতাৰণা কৰা নৰ্তকীক তেওঁ বিপদজনক জানিও পুনৰ নৰ্তকীৰ পদ প্ৰদান কৰিলে আৰু তেওঁক যিজনে দুৰাৱস্থাৰ কালত হস্তৰেখা চাই উৎসাহিত কৰা হ'ল, শূৰসেনক মনোবল তথা আত্ম-বিশ্বাস ঘূৰাই দিয়া হ'ল, তেওঁকেহেনে জ্যোতিষৰ জীৱিকাচ্যুত কৰিবলৈ পালে? কিয় ৰজা শূৰসেনে এনে কাম কৰিলে? তুমি জানি-বুজিও যদি মোৰ এই প্ৰশ্নৰ তথা সন্দেহৰ সঠিক সমাধান নিদিয়া, তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব—এই কথা নিশ্চয় জানিবা।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যাই ক'লে, "ৰজা শূৰসেনৰ আচৰণ মুঠেই অন্যায় আচৰণ নাছিল। জ্যোতিষীয়ে সেই হালোৱাৰ হস্তৰেখা চাই যি কৈছিল, তাৰেই প্ৰমাণ হৈছিল যে সেই জ্যোতিষীয়ে হস্তৰেখাৰ বিচাৰ সমূলি কৰিব নোৱাৰে। এনেবোৰ জ্যোতিষীৰদ্বাৰা ৰাইজৰ প্ৰচুৰ ক্ষতিৰ সম্ভাৱনা আছে। গতিকে ৰজা শূৰসেনে জ্যোতিষীৰ সম্পৰ্কে যি ব্যৱস্থা লৈছিল, সেই ব্যৱস্থা অন্যায় নাছিল।

এইবাৰ মল্লিকাৰ কথা। মল্লিকা যিগৰাকী ৰজাৰ গুপ্তচৰ আছিল, সেই-গৰাকী ৰজাৰ মৃত্যু হ'ল। গতিকে—মল্লিকাৰো গুপ্তচৰবৃত্তিৰ আৰু অস্তিত্ব নাথাকিল; থাকিল কেৱল তাইৰ অপূৰ্ব কলাবিদ্যাৰ গুণ। সেইহে, কলাপ্ৰেমী শূৰসেনে মল্লিকাৰ কলাবিদ্যাক অপমান কৰা নাছিল।"

বিক্ৰমাদিত্যাই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

নিমাতী মাত

কোনোবা এখন দেশৰ ৰজাৰ ন্যায়বিচাৰৰ কথাত দহোৰাজ্যত খ্যাতি আছিল। এবাৰ তেওঁ এজন অপৰাধীক সোধ-পোছ কৰি থাকোঁতে হঠাৎ কৰ'বাৰপৰা মাত-বোল কৰিবপৰা ভাটৌ এটা ৰাজসভাৰলৈ উৰি আহিল আৰু সোধন-পোছন শেষ হোৱাৰ লগে লগেই ভাটৌটোৱে কৈ লঠিল, "চা—ব্বাইছ্!" আৰু এই কথাটি কৈয়েই ৰাজসভাৰপৰা ফুৰুৎ কৰে উৰি গুচি গ'ল।

এইখন ৰাজ্যতে এটা দগধা চোৰ আছিল। ই সৰু-সুৰা চুৰি-তাৰি কৰি কৰি ভাগৰি পৰি—এদিন ডাঙৰ চুৰিতো হাত লগাই সুখেৰে জীৱন কটাবলৈ দিহা কৰিলে।

প্ৰথমতে সি এজন নামকৰা বেপাৰীৰ ঘৰত ঘৰুৱা কাম খুজি ল'লে, আৰু খুব ভালকৈ কাম-বন কৰি তাত বিশ্বাসী হৈ উঠিল।

এদিন সি বেপাৰীজনক ক'লে, "মালিক, আমাৰ বন্দৰত কালিলৈ সুগন্ধি সামগ্ৰীৰে বোজাই এখন জাহাজ আহিব। আপুনি যদি অলপ ধনৰ বন্দৱস্ত কৰি দিয়ে, মই সস্তাত কিছুখিনি মাল কিনি আনিম, আৰু লাভৰো উপৰি লাভ কৰিম।"

সি একেবাৰে বজৰলেপৰ দৰে ধৰিলে, আৰু মান্তিও কৰালে। তাৰ পাছত, নাটকত ভাও দিয়া কেইজনমানক বেপাৰীৰ ভেশত সজাই-পৰাই কোনো এজন আচল বেপাৰী তালৈ গৈ পোৱাৰ আগতে গৈ, বিদেশী বেপাৰীইঁতক লগ ধৰি ক'লে যে সুগন্ধি বস্তুৰ দাম, বজাৰত একেবাৰে পৰি গ'ল। এইদৰে গোটেই জাহাজখনৰ

আটাইখিনি মাল দগধা মহীধৰে কিনি ল'লে, আৰু পাছত চৰা দামত বেচি তাৰ মালিকক দহো গুণে লাভ দেখুৱালে।

কিছুদিন পাৰ হ'ল। এদিন এজন বেপাৰীয়ে দগধা মহীধৰক ক'লে, "হেৰা, "শুনাচোন, আজি ৰাতি মণি-মুকুতাৰে বোজাই জাহাজ এখন বন্দৰলৈ আহিব। এইবাৰো তুমি সস্তাত মালখিনি কিনি পেলোৱাগৈ। তুমি পাৰিবা।" এই বুলি কৈ, এইজন বেপাৰীয়ে তেওঁৰ আটাইখিনি ধন মহীধৰৰ হাতত গটাই দিলে।

দগধা মহীধৰক আৰুনো কি লাগিছে? সি বেপাৰীৰ থনখিনিৰে সৈতে সেই দিনাই তাৰপৰা উধাও হৈ গ'ল।

তাৰ পাছত দগধা মহীধৰে এগৰাকী কবিৰ ঘৰত কাম ল'লে। এই জন কবি ধনী মানুহ আছিল।

এদিন দগধা মহীধৰে কবিক ক'লে, "মালিক, আপুনি হ'ল মহান কবি, যদিও আপোনাৰ নাম-যশ নহ'ল। কিন্তু ৰাজ-দৰবাৰত নাম-যশ কৰাৰ এক বিলক্ষণ উপায় আছে।"

"কি নো—?" কবিয়ে সুধিলে।

"আপুনি যদি সামান্য ধন খৰচ কৰিবলৈ মান্তি হয় তেনেহ'লে আপোনাৰ যাতে চাৰিওফালে বিয়পি পৰে—মই চাম।" দগধা মহীধৰে ক'লে। কবিয়ে ধন দিলে আৰু সি উধাও হ'ল।



এইবাৰ সি এজন ধনী যুৱকৰ ঘৰত কাম ল'লেগৈ। এই যুৱক আছিল এজন পদমৰ্য্যাদাসম্পন্ন ৰাজ-কৰ্মচাৰী। তেওঁ ৰাজ-দৰবাৰত নিজৰ মান-মৰ্য্যাদা বঢ়োৱাত বৰ লালায়িত আছিল। এদিন দগধা মহীধৰে এই যুৱকক কথাৰ চলেৰে ক'লে, "এটা কথা মই একেবাৰেই বুজি পোৱা নাই যে—আপুনি কিয়, আৰু কেনেকৈ যে আপোনাৰ এই অমূল্য সময়বোৰ অবাবতে নষ্ট কৰিছে। আপুনি ৰাজ-দৰবাৰত অতি উচ্চ পদ পাব লাগিছিল।"

"কি কৰিম কোৱা। ৰজাই ভাল পায় যাক ঢেঁকী পখালি নালাগে তাক। কিন্তু ৰজাৰ লগত হাল লগ কৰা শকতি তো আমাৰ নাই।" যুৱকে ক'লে।

"আপুনি যদি অলপ ধন খৰচ কৰিবলৈ সাজু থাকে, সেই বন্দৰস্ত হৈ যাব।"

যুৱকে লোভত পৰি তাৰ হাতত ধনৰ শকত মোনা এটি দিলে। আৰু সি-ও মোনাটি লৈ লগে লগে ঘিটিং মাৰিলে; কিন্তু এইবাৰ সি ৰাজপ্ৰহৰীহঁতৰ হাতত ধনৰ মোনাৰে সৈতে ধৰা পৰিল।

ৰজাই দগধা মহীধৰক কঠোৰ শাস্তি বিহি ফাটেক খোৱাৰ আদেশ দিয়াত সকলোৱে ৰজাক শলাগিলে; কিন্তু সেই ভাটৌটিও নমতা-নোবোলা হৈ থাকিল।

তেতিয়া ৰজাই পুনৰ বিচাৰ কৰি, গোচৰ দিয়া তিনিওকো লঘু দণ্ড দিয়াত ভাটৌটোৱে কৈ উঠিল, "চা—ব্বাইছ!"

বেপাৰী ধনী যুৱক আৰু কৰিয়ে কৈ উঠিল, "এয়ানো কেনেকুৱা কথা! প্ৰতাৰকে আমাক প্ৰতাৰণা কৰিলে, আৰু আমি শাস্তি-শলা পালোঁ!"

ৰজাই তিনিওকো ক'লে, "তোমালোকে নিজেই নিজক সুধি চোৱা—তোমালোক লোভী নহয়নে? লোভৰ বাবে কিছু শাস্তি প্ৰাপ্য নহয়নে তোমালোকৰ?"

লাজ পাই তিনিও লেটা-কুন্দা দিলে।



চান্দমামা-ক্রোড়পত্র-১২

জ্ঞান ভাণ্ডাৰ

তেওঁ কোন ?

এগৰাকী ভ্ৰাম্যমাণ সাধু এঘৰত অতিথি হ'ল। এই ঘৰৰ গৰাকিনীৰ পুত্ৰী সাধুজনক দেখি বৰ প্ৰসন্ন হ'ল, আৰু পৰম শ্ৰদ্ধাৰে আদৰিলে। এওঁলোকৰ—বিশেষকৈ গৰাকিনীৰ পুত্ৰীৰ সৰল আদৰ-অভ্যৰ্থনাৰে মুগ্ধ হৈ সাধুৱে তাত কিছুদিন অতিবাহিত কৰিলে। সাধুবাবাই কৃষ্ণ-কাহিনী কয়, আৰু এই পুত্ৰীয়ে অতি আগ্ৰহৰে শুনে। এদিন সাধুবাবাই তেওঁৰ জোলোঙাৰপৰা কৃষ্ণৰ ক্ষুদ্ৰ এটি মূৰ্তি উলিয়ালে আৰু সেই মূৰ্তিটিৰ আগত পুত্ৰীয়ে গীত গাই নৃত্য কৰিবলৈ ধৰিলে।

তাৰ পাছত এদিন হঠাৎ উপজি পুৱাতে সাধুবাবা সেই ঘৰৰপৰা গুচি গ'ল আৰু সেই যুৱতী পুত্ৰীয়ে সাধুবাবাক আৰু বিশেষকৈ সেই কৃষ্ণ মূৰ্তিক নেদেখি আহাৰ নিদ্ৰা আৰু পানী খোৱাৰপৰাও বিৰত হৈ পৰিল। কোনেও যুৱতীক সান্ত্বনা দিব নোৱাৰিলে।

এদিন সাধুৱে মন্দিৰ এটাত ৰাতি টোপনিৰ মাজতে কৃষ্ণৰ মূৰ্তিৰ বাবে কান্দি থকা সেই যুৱতীক সপোনত দেখা পাই, ৰাতি পুৱাৰ লগে লগেই সেই ঘৰলৈ উভতি গৈ কৃষ্ণৰ মূৰ্তিটি যুৱতীৰ হাতত সঁপি দিলে।

এই যুৱতীনো কোন আছিল ?

[উত্তৰ ৩৬ পৃষ্ঠাত]

জা না নে ?

১. বৃটিছ ৰাজ-পৰিয়ালত থকা প্ৰাচীন তথা পৌৰাণিক ভাৰতীয় অলংকাৰ কি ?
২. মোগলৰ আক্ৰমণৰপৰা বহু বছৰৰপৰা অহমদনগৰক ৰক্ষা কৰা বীৰাংগণা কোন আছিল ?
৩. স্বাধীন ভাৰতৰ সৈতে সৰ্বশেষত সংযুক্ত হোৱা বিদেশী-অধিকৃত ৰাজ্যখনৰ নাম কি ?
৪. পৃথিৱীৰ আটাইতকৈ সৰু নিগনি কি ?
৫. তাৰ ওজন কিমান ?
৬. অতি ভয়ংকৰ বিধ্বংসী ভূমিকম্প ক'ত আৰু কেতিয়া হৈছিল ?

[উত্তৰ ৩৬ পৃষ্ঠাত]

দণ্ডকাৰণ্য

আমাৰ পুৰাণ তথা ইতিহাসৰ অন্যতম সাক্ষী ৰূপে আজিও দণ্ডকাৰণ্য থিয় হৈ আছে। প্ৰাচীনতম কালৰেপৰাই অসংখ্য মুনি-ঋষি-জ্ঞানী এই দণ্ডকাৰণ্যত বসবাস কৰিছিল। কথিত আছে যে—দণ্ডকাৰণ্য আছিল ৰাক্ষসৰো নিবাসস্থল। সীতা, ৰামচন্দ্ৰ, আৰু লক্ষ্মণো কিছুকাললৈ এই দণ্ডকাৰণ্যত অতিবাহিত কৰিছিল।

দণ্ডক্কাৰণ্যৰ এফালে গোদাৱৰী নৈ, আৰু অন্যফালে নৰ্মদা প্ৰবাহিতা। মৎস্য-কুণ্ড, ইন্দ্ৰাৱতী, বংশধাৰা, নাগাৱলী, তমসা ইত্যাদি নদী দণ্ডকাৰণ্যৰ মাজেদি বৈ গৈছে। এই মহাৰণ্য বৰ্তমান মধ্যপ্ৰদেশ, ওড়িশা, মহাৰাষ্ট্ৰ আৰু অন্ধ্ৰপ্ৰদেশলৈকো পৰিব্যাপ্ত।

প্ৰাচীনকালত দণ্ডক নামৰ এগৰাকী ৰজাই এই অৰণ্যত ভ্ৰমি ফুৰোঁতে অৰজ নামৰ এজনী লাৱণ্যময়ী মুনি-কন্যাৰ ৰূপ চাই মোহ গ'ল আৰু মুনি-কন্যাক বলেৰে তাৰপৰা লৈ যাবলৈ চেষ্টা কৰিলে।

কিন্তু যুৱতী মুনিকন্যাই বহু চেষ্টাৰে ৰজাৰ কবলৰপৰা পলাই গৈ তাইৰ পিতৃদেৱ শুক্ৰক কথাটো কোৱাত ক্ৰুদ্ধ শুক্ৰই সেই ৰজালৈ এই বুলি অভিসম্পাত দিলে যে ৰজা দণ্ডকৰ ৰাজধানী পুৰি ভস্ম হওক। আৰু নিমিষতে ৰজা দণ্ডকৰ সমগ্ৰ ৰাজধানী পুৰি ভস্ম হৈ গ'ল।

কালক্ৰমত ৰজা দণ্ডকৰ ভস্মীভূত ৰাজধানী এক মহা অৰণ্যলৈ পৰ্য্যৱসিত হ'ল, আৰু দণ্ডক ৰজাৰ নামানুসাৰে এই অৰণ্যৰ নাম হ'ল দণ্ডকাৰণ্য।

আমাৰ দেশৰ জলবায়ু নিয়ন্ত্ৰণত দণ্ডকাৰণ্যৰ প্ৰয়োজনীয়তা যে অনস্বীকাৰ্য্য —সেই কথা মানি লোৱা হৈছে। কিন্তু অসংখ্য খৰিকটীয়া তথা কাঠৰ কাৰবাৰীৰ কবলত পৰি এই চিৰশোভাময় দণ্ডকাৰণ্যৰ ভালেখিনিলৈকে ধ্বংসপ্ৰাপ্ত হৈছে আৰু এতিয়ালৈকো ধ্বংস হ'ব ধৰিছে।

ডেণ্টিস্ট হ'ল টাইপিস্ট

হিমাচল প্ৰদেশৰ ছোলান জিলাৰ চিয়ান গাঁৱৰ অধিবাসী ৪৫ বছৰীয়া দন্তচিকিৎসক ৰাজিন্দৰসিং টাইপৰাইটিঙৰ গতিত বিশ্ব-চেম্পিয়ন হ'ল। ড্ৰেছডেনত অনুষ্ঠিত ২৮ তম বিশ্ব-চেম্পিয়ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি তেওঁৰ নিজৰ বয়সতকৈ পাঁচ বছৰৰ অধিক পুৰণা ৰেমিংটন টাইপৰাইটাৰেৰে মিনিটেপ্ৰতি ৪৯৯ টা আখৰ টাইপ কৰি ৰাজিন্দৰে স্বৰ্ণপদক পালে!

চান্দমামাৰ সম্বাদ



বগা বাঘৰ পোৱালি

কলিকতাৰ আলিপুৰৰ চিড়িয়াখানাত ওপজা বগাবাঘৰ পোৱালি এটিক তাৰ মাক 'হিমাদ্ৰি জুনিয়ৰ'ৰ লগত দৰ্শকৰ আগত প্ৰদৰ্শন কৰিবলৈ দুঘণ্টাৰ বাবে ৰাখি থোৱা হৈছিল। গাত ক'লা ক'লা দাগ থকা এই ধুনীয়া পোৱালিটি যোৱা মে মাহৰ ৩ তাৰিখে উপজিছিল। ওপজাৰ পাছত তৃতীয়বাৰৰ বাবে ৰ'দৰ উম লোৱা এই বগা বাঘৰ পোৱালিটিয়ে তাৰ মাকক এৰি থাকিবলৈ একেবাৰে ভাল নোপোৱা হৈছে আৰু মাকেও পোৱালিটিক একেবাৰে চকুৰ আঁৰকে নকৰা হৈছে।

সাহিত্যলৈ এভুমুকি

১. ৰবিনছন ক্রুশোৰ আৰ্হিস্বৰূপ কাক কোৱা হয়?

২. ইংৰাজি ঔপন্যাসিক জৰ্জ এলিয়টৰ প্ৰকৃত নাম কি?

৩. কোন প্ৰাচীন ভাৰতীয় বিশ্ববিদ্যালয়ৰ বিশাল গ্ৰন্থাগাৰ আছিল?

৪. কোনখন সংস্কৃত নাটকত চন্দ্ৰগুপ্ত মৌৰ্য্যৰ পৰিচয় প্ৰদত্ত হৈছে?

৫. প্লেটো-ৰচিত উৎকৃষ্ট গ্ৰন্থখনৰ নাম কি?

৬. প্লেটো কোন কালত জীৱিত আছিল?

উত্তৰ

তেওঁ কোন
মীৰাবাঈ

জানানে?

১. কোহ-ঈ-নূৰ

২. চাঁদবিবি

৩. গোৰা

৪. ইতালিৰ এক্ৰুস্কান নিগনি

৫. এক আউন্সৰ দহভাগৰ এভাগ

৬. ৭৪২ চনত মিছৰ, পেলেস্তাইন, ছিৰিয়াত, মোটামুটিভাৱে ৩০০ চহৰ ধ্বংসপ্ৰাপ্ত হৈছিল।

সাহিত্য

১. আলেকজাণ্ডাৰ ছেলকাৰ্ক

২. মেৰিঅন্ ইভান্স

৩. নালন্দা বিশ্ববিদ্যালয়

৪. বিশাখদত্ত-ৰচিত ‘মুদ্ৰাৰাক্ষস’

৫. দি ৰিপাবলিক

৬. খৃষ্টপূৰ্ব ৫—৪ শতিকাত।

নেহৰু-উপাখ্যান-১০

নেহৰুক কাৰাগাৰৰপৰা মুক্তি দিয়া হ'ল আৰু তেওঁ তেওঁৰ অসুস্থ পিতাকক মুছৌৰত চাবলৈ গল। মতিলাল যেতিয়া কিঞ্চিত সুস্থ হৈ উঠিল, তেতিয়া তেওঁলোক এলাহাবাদলৈ প্ৰত্যাবৰ্ত্তন কৰিলে। তাত নেহৰুৱে এদিন এক বিশাল কৃষক সমাবেশত দীঘলীয়াকৈ ভাষণ দিলে।

পৰিশ্ৰান্ত জৱহৰলাল আৰু তেওঁৰ পত্নী কমলা মতিলালক চাবলৈ দ্ৰুতগতিৰে ঘৰলৈ গৈ আছিল, আৰু মতিলালেও পুত্ৰলৈ উৎকণ্ঠিত মনেৰে বাট চাই আছিল। কিন্তু ঘৰৰ প্ৰৱেশদ্বাৰতে জৱহৰলালক অপত্যাশিতভাৱে পুনৰ গ্ৰেপ্তাৰ কৰা হ'ল।





কমলা নেহৰুৱে উৎকণ্ঠিত মতিলালক জৱহৰলালক গ্ৰেপ্তাৰ কৰাৰ খবৰটো দিলেগৈ। মতিলাল অত্যন্ত হতাশ হ'ল; কিন্তু তেওঁ নিৰবে-নিমাতে এক দৃঢ় সংকল্প গ্ৰহণ কৰিলে।



হঠাৎ মতিলালে তেওঁৰ মেজখন বিছনাৰ ওচৰত টানি আনিলে আৰু তেওঁ ঘোষণা কৰিলে যে তেওঁ আৰু এনেকৈ অসুস্থ হৈ নাথাকিব আৰু এনেবোৰ অন্যায়ো সহ্য নকৰিব। তেওঁ শাৰীৰিক-ভাৱে দুৰ্বল হৈ থকা সত্বেও মানসিক-ভাৱে আছিল যথেষ্ট তেজোদ্দীপ্ত।

ইতিমধ্যে কংগ্ৰেছ সদস্যবৰ্গই সকলোতে সভা-সমিতি কৰি যি ভাষণৰ অভিযোগত জৱহৰলালক গ্ৰেপ্তাৰ কৰা হৈছিল, জনসাধাৰণক ব্যাখ্যা কৰি কৈ থাকিল। বৃটিছ-পুলিছে লাঠি-চালনাৰে সেইবোৰ সভা-সমিতি ভাঙিবলৈ ধৰিলে।



কেৱল কাৰাদণ্ডৰে কোনো কাম নোহোৱাত শাসন-কৰ্তৃপক্ষই আন্দোলনকাৰী জন-সাধাৰণক প্ৰকাশ্যে সৌকাৰে কোবাবলৈ ধৰিলে। এই কাৰ্য্য কেৱল অপমানকৰেই নাছিল, শাৰীৰিক ফালৰপৰাও আছিল অকল্পনীয় যন্ত্ৰণাদায়ক।

এনেকৈ বেতমৰা শাস্তিৰ বিৰুদ্ধে প্ৰতিবাদ কৰি নেহৰু আৰু তেওঁৰ কাৰাগাৰস্থ সহযোগী সকলেও অনশন আৰম্ভ কৰিলে। যদিও এই অনশন আছিল চাৰিদিনীয়া প্ৰতীক অনশন মাথোন; কিন্তু এই অনশনৰ প্ৰভাৱ আছিল সাৰ্বব্যাপী। এই অনশনৰ যোগেদি এনে বৰ্বৰ বেতমৰাৰ কাহিনী সকলোতে পৰিব্যাপ্ত হৈ পৰিল।



তেতিয়াৰপৰা কমলা নেহৰুয়েও দেহে-কেহে কংগ্ৰেছৰ কামত আঅনিয়োগ কৰিলে, আৰু তেওঁকো গ্ৰেপ্তাৰ কৰা হ'ল। কমলাই ঘোষণা কৰিলে, "মই মোৰ স্বামীৰ পদাংক অনুসৰণ কৰি সুখী বোধ কৰিছোঁ। মোৰ দৃঢ় বিশ্বাস, জনসাধাৰণে পতকা উড্‌ডীন ৰাখিব।"

ইপিনে—মতিলালৰ অসুস্থতা অকস্মাৎ বাঢ়ি গ'ল। জৱহৰলাল আৰু কমলাকো কাৰাগাৰৰপৰা মুক্তি দিয়া হ'ল। দুয়ো অসুস্থ মতিলালক চাবলৈ ঢপলিয়াই গ'ল। আৰু—অন্যান্য বহু সংখ্যক লোকৰ সৈতে গান্ধীজীও মতিলালক চাবলৈ গ'ল।

মতিলালে গান্ধীজীক ক'লে, "মহাত্মাজী, মোৰ দিন চমু চাপি আহিল। স্বৰাজ মই দেখা নাপাম; কিন্তু আপোনালোকে স্বৰাজ যে পাবই, আৰু পাবৰ হ'ল—তাক মই দিব্যদৃষ্টিৰে দেখা পাইছোঁ।" গান্ধীজীয়ে মতিলালক আৰু পৰিয়ালৰ সকলোকে যথেষ্ট সান্ত্বনা দিলে।

খ্যাতনামা চিকিৎসকসকলৰ, যেনে-বিধান ৰায়, এম. এ. আনছাৰি. জীৱৰাজ মেটা প্ৰমুখৰ আপ্ৰাণ চেষ্টা সত্বেও ১৯৩১ চনৰ ৬ ফেব্ৰুৱাৰিৰ দিনা মতিলাল স্বৰ্গী হ'ল। মৃত্যুকালত জৱহৰলাল আৰু তেওঁৰ মাতৃ মতিলালৰ কাষতে আছিল।

এলাহাবাদস্থিত গংগাৰ তীৰত মতিলালক দাহ কৰা হ'ল। নেহৰুৱে এই বিষয়ে লিখিছিল: শীতকালৰ সন্ধিয়াপৰতে সেই চিতাজুই গগনস্পৰ্শী হৈ উঠিল, যি চিতাজুইৰ অভ্যন্তৰত সোমাই আছিল আমাৰ আৰু কোটি কোটি ভাৰতবাসীৰ পৰমপ্ৰিয় অগ্ৰপথিক।"

[অহা সংখ্যাত

সাহসৰ সাৰকথা

কনৈয়ালাল মানুহজন আছিল এইখন গাঁৱৰ সৰাতোকৈ ধনী মানুহ। ধনী যেতিয়া মানীও তো হয়েই। আৰু সেইজন ধনী-মানী কনৈয়ালালৰ গাত লাগিল গুটি। গুটি মানে—টাংগুটিৰ গুটি। চাৰিটা ল'ৰাই মিলি বাটৰ ওপৰত টাংগুটি খেলি থাকোঁতে গুটিটো উফৰি পৰিলগৈ ধনৱান-মান্যমান কনৈয়ালালৰ গাত। খঙতে একো নাই হৈ কনৈয়ালালে ল'ৰাটোক পিটিব বুলি খেদি গ'ল; কিন্তু ল'ৰাটো দৌৰি পলাই গ'ল।

অন্য ল'ৰাইতক সুধি কনৈশালালে গম পালে যে ল'ৰাটো হ'ল কৰমচান্দৰ ল'ৰা। কোঁ-কোঁৱাই ঘৰলৈ উভতি গৈয়েই মানুহ পঠিয়াই কনৈয়াই কৰমচান্দক মতাই অনালে আৰু ক'লে, "তুমি এতিয়াই তোমাৰ ল'ৰাটোক ইয়ালৈ লৈ আহাঁগৈ।"

কৰমচান্দে শুকান মুখেৰে ক'লে, "দয়া কৰি—মাফ কৰি দিয়ক তাক, আগলৈ কেতিয়াও এনেকুৱা নহ'ব।"

"সেইবোৰ কাবৌ-কোকালি নুশুনিছোঁ, মোক ন্যায়বিচাৰ লাগে। তাক এতিয়াই লৈ আহাঁগৈ যোৱা।" কনৈয়াই ক'লে।

তেতিয়া কৰমচান্দৰো অলপ খং উঠিল। কৰমচান্দে কনৈয়াক ক'লে, "মোৰ ল'ৰাটোৱেই যে আপোনাৰ গালৈ ফমুঠিয়াইছিল, তাৰ কিবা দেখ দেখ প্ৰমাণ আছেনে? আপোনাক ন্যায়বিচাৰ লাগে। বাৰু, দিয়া যাব ন্যায়বিচাৰ। তেনেহ'লে আপুনি ন্যায়াধিকাৰীৰ ওচৰলৈ যাওক।"

কি! কেনেকৈ কৰমচান্দৰ ইমান সাহস! এই কথা ভাবি—ভবৰি উঠি

কনৈয়ালালে তেতিয়াই কোঁ-কোঁৱাই খোজ ল'লে গাঁওবুঢ়াৰ ওচৰলৈ বুলি। বাটত বন্ধু শান্তিভূষণৰ সৈতে হঠাৎ দেখা-দেখি। শন্তিভূষণে কনৈয়ালালক সুধিলে, "কি বন্ধু, ক'লৈনো ওলাইছা? তোমাক দেখোন বৰ বেজাৰ বেজাৰ যেন লাগিছে।"

তেতিয়া কনৈয়ালালে বন্ধু শান্তি-ভূষণক সকলো সবিস্তাৰে ক'লে।

শুনাৰ অন্তত শান্তিভূষণে ক'লে, "কথাত বোলে—খং নামে চণ্ডাল। সৰু ল'ৰা এটাই ভুলতে কিবা এটা কৰি পেলালে—ইমান খং উঠাৰ কিনো হ'ল?

কনৈয়ালালে ক'লে, "বাঃ বাঃ! বঢ়িয়া কৈছা। তোমাৰ দৰে চাৰি-পাঁচমান গাঁৱত থাকিলে গাঁৱেই ধনিকইতৰ গৰাল হৈ উঠিব দেখিছোঁ।"

"তেনেহ'লে তুমি গাঁওবুঢ়াৰ কাষকে চাপা, তেওঁৰপৰা ন্যায়বিচাৰ লোৱাগৈ।"

কনৈয়ালালৰ কথাখিনি শুনাৰ অন্তত গাঁওবুঢ়াই মৃদুকৈ হাঁহি ক'লে, "ভাই, আপুনি দেখোন তিলকে তালটো কৰিছে। ইমান সৰু ল'ৰা এটাই খেলি থাকোঁতে কিবা সামান্য কথা হ'ল...তাৰনো আকৌ প্ৰতিকাৰ কি? ন্যায়বিচাৰ কি? আনে শুনিলে আপুনি হাঁহিয়াতৰ পাত্ৰহে হ'ব।"

"মই আপোনাৰপৰা হিতোপদেশ শুনিবলৈ অহা নাই, ন্যায়বিচাৰ বিচাৰিহে আহিছোঁ।" কনৈয়াই ক'লে।



"শান্তিভূষণৰপৰা পৰামৰ্শ লওক।" গাঁও-বুঢ়াই ক'লে, "যদি তেওঁ আপোনাক তুষ্ট কৰিব নোৱাৰে, তেতিয়া মই চাম বাৰু।"

গাঁওবুঢ়াই শান্তিভূষণক মতাই অনাই ক'লে, "আপোনাৰ বন্ধুক লাগে ন্যায়-বিচাৰ, আৰু আপুনি মাত্ৰ মুখৰ উপদেশ দি বিদায় কৰি—কৰিছে অবিচাৰ।"

"ঠিক আছে, এটা কাম কৰা যাওক। আমাৰ কনৈইয়ালালে টাং-গুটি খেলিব, আৰু অলপ আঁতৰেদি কৰমচান্দৰ ল'ৰাটোৰ গাত গুটিটো ফৰ্মুঠিয়াব। হ'ব—?"

এই কথা শুনি কনৈয়ালালে ভালেই পালে, আৰু সুধিলে, "প্ৰস্তাৱটো—হওঁতে বেয়া নহয়। কিন্তু মই টাঙেৰে—তাৰ মানে—মাৰিডালেৰে কাঠৰ গুটিটো মাৰি পঠাওঁতে কৰমচান্দৰ বেটাই যদি দৌৰি পলায়—তেতিয়া কি হ'ব?"

"তাক দুফালৰপৰা দুজন মানুহে ধৰি কটকটীয়াকৈ বান্ধি পেলাব। কিন্তু এটা কথা। আপোনাৰ গুটিৰ ফৰ্মুঠি কেৱল কৰমচান্দৰ ল'ৰাটোৰ গাতহে লাগিব লাগিব, আন কাৰো গাত নালাগেযেনগৈ চাব।" শান্তিভূষণে চৰ্ত দাখিল কৰিলে।

"ওহোঁ—" কনৈয়াই কৈ উঠিল, "সি তাত থিয় হৈ থাকিব লাগিব, লৰচৰ কৰিলে নহ'ব।"

কিন্তু—সি যদি দৌৰি পলায় কিনো কৰিম?" শান্তিভূষণে ক'লে।



পিছ দিনা টাং-গুটি খেলৰ বন্দৰস্ত কৰা হ'ল। এই বিচিত্ৰ দণ্ড দান চাবলৈ গাঁৱৰ মানুহ হিলদল ভাঙি আহিল। আচল আকৰ্ষণীয় কথা আছিল এয়ে যে— কৰমচান্দৰ পুতেকে এই চৰ্ত মানি লৈছিল যে সি একে ঠাইতে থিয় হৈ থাকিব।

তাৰ পাছত গাঁতৰ ওপৰত গুটিটো থৈ কনৈয়ালালে কৰমচান্দৰ পুতেকলৈ মাৰি পঠালে; কিন্তু কনৈয়াৰ গুটিটোৰ নিচানা ভুল হৈ গ'ল। এইদৰে বাৰ বাৰ তিনিবাৰ চেষ্টা কৰা সত্বেও কনৈয়ালালে কৰমচান্দৰ পুতেকৰ গাত গুটিটো একো-পধ্যে লগাব নোৱাৰিলে।

"এতিয়া কিন্তু ন্যায়বিচাৰ হৈ গ'ল।" শান্তিভূষণে হাঁহি মাৰি কনৈয়ালালক ক'লে, "আপুনি সুযোগ পায়ো হেৰুৱালে।"

শান্তিভূষণৰ কথা শুনি গাঁৱৰ ৰাইজ গিৰ্জনি মাৰি হাঁহি উঠিল। শান্তিভূষণে কৰমচান্দৰ পুতেকক ক'লে, "তোমাৰ সাহসৰ আমি শলাগ লৈছোঁ। একেবাৰে অলপো লৰ-চৰ নকৰাকৈ কেনেকৈনো তুমি থিয় হৈ থাকিলা? আৰু আজি যদি পাৰিলা, সিদিনা কনৈয়ালালে খেদি যোৱাত কিয় দৌৰি পলাইছিলা?"

কৰমচান্দৰ পুতেকে ক'লে, "সিদিনাৰ কথা আজিৰ কথা একেবাৰে বেলেগ বেলেগ। সিদিনা তেওঁ গৰু-পিটন পিটিলে-হেঁতেন; কিন্তু আজি যে তেওঁ গুটিটো মোৰ গাত লগাব নোৱাৰিব, সেই কথাত দেউতাই মোক নিশ্চয়তা দিছিল। দেউতাই কৈছিল যে পইচা থাকিলেই পোনোৱাৰ শক্তি নাথাকে। এয়ে হ'ল মোৰ আজিৰ সাহসৰ সাৰকথা।"

পুনৰ ৰাইজ হাঁহি উঠিল, আৰু কেঁচা কিল খোৱা কনৈয়ালাল মৰঙে মৰাটো যেন হ'ল। এই ঘটনাৰ পাছত কনৈয়ালালে আৰু কোনো দিনে, ন্যায়বিচাৰৰ দুৱাৰত খটখটোৱা নাছিল।

কৃষ্ণাৱতাৰ

২৬

এইবাৰ বাণ:সুৰৰ ৰথ সাজু হ'ল। বাণাসুৰৰ ৰথত এক সহস্ৰ অশ্ব আৰু সৰস্ৰ সহস্ৰ বিধোবিধ অস্ত্ৰ-শস্ত্ৰ, যেনে গদা ধনু কাঁড় খড়্‌গ বৰছা তৰোৱাল আদি ভৰাই কুম্মাণ্ডক সাৰথি হিচাপে লৈ, ৰথৰ প্ৰান্তভাগ ৰঙা নিচান আৰু ময়ূৰ পখিৰ পতাকাৰে সজাই বাণাসুৰে অনিৰুদ্ধক ৰণ দিবলৈ ৰাওনা কৰিলে। বাণাসুৰৰ এনে অভূতপূৰ্ব আয়োজন দেখি তেওঁৰ সেনাপতিহঁত উৎসাহিত হৈ উঠিল আৰু পূৰ্ণ উদ্যমৰে বাণাসুৰৰ লগে লগে গৈ থাকিল। অনিৰুদ্ধই বহু-দূৰৰেপৰাই বাণাসুৰৰ এই আয়োজনলৈ মন কৰিছিল। এইবাৰ ধাণাসুৰৰ অসংখ্য সৈন্যদলকো দেখা পালে। কিন্তু বাণাসুৰৰ এনেবোৰ বিপুল আয়োজন দেখিও বিচলিত নহৈ, ভীত নহৈ, বা এইবোৰলৈ অলপো ভ্ৰূক্ষেপ নকৰি অনিৰুদ্ধই বাণাসুৰৰ ৰথৰ পিনে তীব্ৰ গতিৰে আৰু নিঃশংক চিত্তেৰে অসুৰৰাজৰ বিশাল সৈন্যবাহিনীৰ বিৰুদ্ধে বিজুলী গতিৰে আগবাঢ়ি গৈ থাকিল।

এক অতি সাধাৰণ মানৱ-সন্তানক এনেকৈ অবিমৃষ্যকাৰীৰ দৰে বিপুল সৈন্যসম্ভাৰৰ পিনে নিৰ্দ্বিধাই আগুৰাই অহা দেখি বাণাসুৰ বিপুলভাৱে বিস্মিত হৈ পৰিল। তেওঁ উচ্চ কণ্ঠেৰে ৰাক্ষস সৈন্যইঁতক আদেশ দিলে, "তোমালোকে কেৱল চাই থাকিবলৈ অহা নাই, ইয়াক বন্দী কৰি অনা, বা বধ কৰাঁ।" এই বুলি কৈয়েই বাণাসুৰে অনিৰুদ্ধলৈ বাণ এৰিলে।

অনিৰুদ্ধৰ হাতত আছিল মাত্ৰ এখন তৰোৱাল; তথাপি শত্ৰুৰ কাঁড়লৈ পৰোৱা নকৰি তৰোৱালেৰে ৰাক্ষসবিলাকক মাৰি, কাটি খাস্তাং কৰি কৰি স্বয়ং বাণাসুৰৰ ৰথৰ সমুখত থিয় হ'লগৈ। অনিৰুদ্ধৰ দুঃসাহস দেখি সকলোটি লেটা-কুন্দা দিলে।

ৰথৰ সমুখৱৰ্তী হোৱাৰ পাছ মুহূৰ্ততে-পৰাই অনিৰুদ্ধই ৰথৰ অশ্ববিলাকক বধিবলৈ ধৰিলে। তেজৰ নৈ বৈ থাকিল। ইতিমধ্যে বাণাসুৰে অনিৰুদ্ধলৈ বহুবিধৰ অস্ত্ৰ-শস্ত্ৰ প্ৰয়োগ কৰি চালে আৰু প্ৰতিবাৰেই অনিৰুদ্ধৰ মৃত্যু হ'ল বুলি ভাবি ৰাক্ষসইঁতে বাণাসুৰৰ নামত জয়ধ্বনি দিবলৈ ধৰিলে। কিন্তু অনিৰুদ্ধ নমৰিল; কেৱল তাৰ অগ্ৰগতি ব্যাহত হ'ল মাথোন।

আৰু অন্যান্য বছা বছা অস্ত্ৰ-শস্ত্ৰই কাম নিদিয়ালৈ চাই এইবাৰ বাণাসুৰে অনিৰুদ্ধলৈ মহাশক্তি নামৰ অস্ত্ৰ প্ৰয়োগ কৰিলে; কিন্তু অনিৰুদ্ধই মহাশক্তিক হাতেৰে থাপ মাৰি ধৰি পেলালে আৰু দেহৰ সমস্ত শক্তিৰে পুনৰ বাণাসুৰলৈ মহাশক্তিক মাৰি পঠালে — যাৰ ফলত বাণাসুৰৰ মহাশক্তিয়ে বাণাসুৰৰে বক্ষ ভেদি পিঠিৰ ফালেদি ওলাই গৈ পৃথিৱীত খাই পৰিল। বাণাসুৰ অচেতন হ'ল।

সাৰথি কুষ্মাণ্ডই বাণাসুৰৰ চেতনা ঘূৰাই আনিলে আৰু আৰু তেওঁক বুজাবৰ-বৰাবৰ চেষ্টা দিলে, "আমাৰ শত্ৰু—বোধ হয় অসাধাৰণ ক্ষমতাৰ অধিকাৰী। সমগ্ৰ ৰাক্ষস-কুল সবংশে ধ্বংস কৰিছে ই

এৰিব যেন পাইছোঁ।"

"তুমি ডৰ নকৰা—" বাণাসুৰে বাহু ডাঙ্ফি মাৰি সাৰথি কুষ্মাণ্ডক ক'লে, "তুমি কেৱল চাই থাকাঁ — ইয়াক মই গৰুড়ে কপক্কৈ সাপ গিলাদি কেনেকৈ তাক গাগল-গিলা দিওঁ চোৱাঁ।" এই বুলি কৈয়েই বাণাসুৰ অদৃশ্য হৈ পৰিল। আৰু অনিৰুদ্ধলৈ টোঁৱাই কৃষ্ণসৰ্পবাণ প্ৰয়োগ কৰিলে, যি কৃষ্ণসৰ্পবাণবোৰে অনিৰুদ্ধক কটকটীয়াকৈ মেৰাই ধৰি লৰ-চৰ কৰিব নোৱৰা কৰি পেলালে।

তাৰ পাছত বাণাসুৰে সাৰথি কুষ্মাণ্ডক ক'লে, "যৌৱন মদমত্ত এই অবৃমিষ্যকাৰী যুৱক এতিয়া মোৰ হাতৰ মুঠিত। এতিয়াই মই ইয়াৰ মুণ্ডছেদ কৰিম, নহ'লে ই মোৰ নামত যি কলংককালিমা লেপন কৰিছে, সেই কলংক নুগুচে।"

কুষ্মাণ্ডই বাণাসুৰক পুনৰ বুজনি দিবলৈ চেষ্টা কৰি ক'লে, "এই কথা ঠিক ; কিন্তু তথাপি আমি এটা কথালৈ মন কৰিব লাগিব! এই যুৱক ইতিমধ্যে— গান্ধৰ্ব মতে বিভা কৰাই আমাৰ উষাৰ পতি হ'ল। গতিকে—ইয়াক বধিলে উষাজনী শোকৰ সাগৰতহে উটিব। আৰু-আন এটা কথা। প্ৰকৃতপক্ষে এই যুৱক কোন, তাক আমি জ্যানি লোৱা আৱশ্যক। এই যুৱক যে সাধাৰণ মানৱ নহয়, সেই কথাত সন্দেহৰ থল নাই। গতিকে— আমি বিচাৰ-বিবেচনা কৰিছে এওঁৰ মুণ্ডচ্ছেদলৈ আগবঢ়া কৰ্তব্য।"

এই সময়ত নাৰদমুনি অন্তৰীক্ষৰপৰা নামি আহিল আৰু তেওঁ অনিৰুদ্ধক ক'লে, "মই শ্ৰীকৃষ্ণক মাতি লৈ আহোঁগৈ, তেতিয়া তোমাৰ সৰ্বকষ্ট গুচিব। মই উভতি নহালৈকে কষ্ট সহি থাকাঁ।" এই বুলি কৈয়েই নাৰদ তাৰপৰা গুচি গ'ল।

তাৰ পাছত অনিৰুদ্ধই মূৰ দাঙি ওপৰলৈ চোৱাৰ লগে লগে খিৰকীৰ কাষত উষাক থিয় হৈ চকুলো বোৱাই থকা



দেখা পালে। অনিৰুদ্ধই উষাক ক'লে, "তোমাৰ দেউতাৰাই মোৰ সৈতে সন্মুখত-যুদ্ধ কৰাত পিছ হুঁহকিল, আৰু মোক মায়াজালেৰে বন্দী কৰিলে। তথাপি চিন্তা নকৰিবা। মহানুভৱ শ্ৰীকৃষ্ণয়েই মোৰ সবদুঃখ দূৰ কৰিব। তেওঁ তেওঁৰ সুদৰ্শন চক্ৰেৰে অসংখ্য ৰাক্ষস সংহাৰ কৰিছিল। মোক তোমাৰ দেউতাৰাই যিদৰে বন্দী তথা পৰাজিত কৰিলে, শ্ৰীকৃষ্ণই নিশ্চয় সেই অন্যায় নসহিব।"

তাৰ পাছত অনিৰুদ্ধই দুৰ্গা-স্তোত্ৰেৰে দেৱী দুগাৰ ধ্যানলৈ মগ্ন হ'ল। লগে লগে স্বয়ং দুৰ্গা অনিৰুদ্ধৰ ওচৰলৈ উপস্থিত হ'ল আৰু অনিৰুদ্ধক বন্ধনমুক্ত কৰি অনিৰুদ্ধক ক'লে, "শ্ৰীকৃষ্ণ আহি পাবহিয়েই, আৰু তেওঁ বাণাসুৰক সমুচিত শিক্ষা দি তোমাক মুক্ত কৰি লৈ যাব।" এই বুলি কৈয়েই দেৱী দুৰ্গা অন্তৰ্হিত হ'ল।

ইতিমধ্যে দ্বাৰকাত মহা হৈ-চৈ লাগি পৰিছিল। চিত্ৰলেখাই অনিৰুদ্ধক লৈ যোৱাৰ পাছৰেপৰাই অনিৰুদ্ধৰ পত্নীসকল সচেতন হৈ উঠিল, আৰু হুৰাহুৰাৰে কান্দি থাকিল। বিদ্যুৎবেগেৰে এই বাতৰি দ্বাৰকাৰ সকলোতে বিয়পি পৰিল যে —অনিৰুদ্ধ নাই। প্ৰমুখ যাদৱসকল ঢপলিয়াই আহিল আৰু দ্বাৰকাৰ চুকে-কোণে তন্ন-তন্নকৈ অনিৰুদ্ধক বিচাৰি থাকিল। কৃষ্ণ, বলৰাম প্ৰমুখো অনিৰুদ্ধৰ বাবে উদ্বাউল হৈ উঠিল। শ্ৰীকৃষ্ণৰ চকুৰপৰাও অনিৰুদ্ধৰ কাৰণে লোতক বাগৰি আহিল।

তেতিয়া বিকদ্ৰুৱে শ্ৰীকৃষ্ণক সান্ত্বনা দিবলৈ ধৰিলে, "হে মহানুভৱ! আপোনাৰ ছত্ৰছায়াত যাদৱকুল সুৰক্ষিত। অধিক আৰুনো কি ক'ম—আনকি দেৱেন্দ্ৰয়ো আপোনাৰপৰা সুৰক্ষা বিচাৰে। গতিকে—যদি এনেহেন পৰিস্থিতিত আপুনিয়েই বিহ্বল হৈ পৰে—তেনেহ'লে অনিৰুদ্ধ অদৃশ্য হোৱাৰ সমাধান কিমতে সম্ভৱ?"

বিকদ্ৰুৰ কথাৰ উত্তৰত শ্ৰীকৃষ্ণই ক'লে, "মোৰ চিন্তা কেৱল এইখিনিতহে যে—অনিৰুদ্ধৰ সংবাদ আনিব নোৱাৰিলে ৰাইজে মোক কি ক'ব। প্ৰদ্যুম্ন যেতিয়া নিচেই সৰুটি হৈ আছিল, তেতিয়াই তাক এটা ৰাক্ষসে অপহৰণ কৰি লৈ গৈছিল। এই ৰাক্ষসক স্বয়ং প্ৰদ্যুম্নয়েই বধ কৰি উভতি আহিছিল। এইবাৰো তেনেকুৱাই হ'ব বুলি মোৰ বিশ্বাস। তথাপি মই মোৰ সাধ্যানুসাৰে সৰ্বশক্তিৰে এই ঘটনাৰ প্ৰতিকাৰ কৰিম।"

তেতিয়া সাত্যকিয়ে শ্ৰীকৃষ্ণক ক'লে যে, অনিৰুদ্ধক বিচাৰি চতুৰ্দিশলৈ মানুহ পঠাব লাগে।

উগ্ৰসেনে সাত্যকিৰ কথালৈ সমৰ্থন জ্ঞাপন কৰিলে, আৰু ৰথ, অশ্ব, আৰু পদব্ৰজেৰেও অনিৰুদ্ধক বিচাৰি উলিয়াবৰ বাবে সকলোকে দিহিঙে-দিপাঙে ওলাই পৰিবলৈ আদেশ দিলে।

তৎপৰ অনাদৃষ্টি নামৰ সেনাপতিয়ে সংকুচিত ভাৱেৰে শ্ৰীকৃষ্ণক ক'লে, "হে মহানুভৱ, মোৰ মনত এই চোভা হৈছে যে অনিৰুদ্ধ অদৃশ্য হোৱাত দেৱতা-সকলৰো সক্ৰিয় সহায়তা থকা অসম্ভৱ নহয়। আপুনি যেতিয়া পাৰিজাত বৃক্ষ লৈ আহিছিল, তেতিয়া দেৱৰাজ ইন্দ্ৰই আপোনাৰ বিৰুদ্ধে ৰণ দিবলৈ আহিছিল, আৰু তেওঁ পৰাজিত হৈছিল। সিদিনাৰ সেই অপমানৰ চোটোকা যে নল'বই—তাৰ তো কোনো স্থিৰতা নাই। গতিকে—অনিৰুদ্ধক যে দেৱৰাজ ইন্দ্ৰয়েই অপহৰণ কৰা নাই—তাকো ন-দি ক'ব নোৱাৰি।"

এই কথাৰ উত্তৰত শ্ৰীকৃষ্ণই হাঁহি উঠি ক'লে, "কোনো দেৱতায়েই এনেকুৱা কাম কদাপি নকৰিব; এই কাম সুনিশ্চিতভাৱেই ৰাক্ষসৰ কাম। মই সদায়েই দেৱতাসকলৰ উপকাৰহে কৰি আহিছোঁ, গতিকে তেওঁলোকে কেতিয়াও



এনে কুৰুচিপূৰ্ণ কাম নকৰিব।"

অক্ৰূৰেও কৃষ্ণৰ এই কথালৈ সমৰ্থন জ্ঞাপন কৰিলে।

পাছদিনা শ্ৰীকৃষ্ণ যেতিয়া সভাভৱন পালেগৈ, তেতিয়া হঠাৎ তাত নাৰদমুনিও উপস্থিত হ'লহি। প্ৰাথমিক সম্ভাষণ-বিনিময়ৰ অন্তত নাৰদমুনিয়ে সভাসদ-সকললৈ চাই ক'লে, "কথানো কি? অপোনালোকক বৰ বিষন্ন—বৰ আমন-জিমন যেন লাগিছে দেখোন!"

"কিনো ক'ম?" বিষন্নভাৱে শ্ৰীকৃষ্ণয়েই নাৰদমুনিক ক'লে,, আমাৰ অনিৰুদ্ধ নোহোৱা হ'ল। আমি নানাভাৱে বিচাৰি খোচাৰিও তাৰ সন্তেদ উলিয়াব পৰা নাই।"

"আপোনালোক মনোযোগেৰে শুনক। মই জীৱনত বহু যুদ্ধ দেখিলোঁ। কিন্তু বাণাসুৰৰ লগত অনিৰুদ্ধৰ এক অত্যদ্ভুত যুদ্ধ হ'ল—যি যুদ্ধৰ আগ-গুৰি বিচাৰি-পোৱা টান। কথা হ'ল যে—বাণাসুৰৰ কন্যা উষাই অনিৰুদ্ধৰ প্ৰতি প্ৰেম নিবেদন কৰাত উষাৰ অন্যতম সখিয়েৰা চিত্ৰলেখাই অনিৰুদ্ধক এই দ্বাৰকাৰপৰা অদৃশ্য কৰি লৈ গ'ল শোণিতপুৰলৈ। এই বাতৰি পাই বাণাসুৰ অতিপাত ক্ৰুদ্ধ হৈ উঠিল আৰু অনিৰুদ্ধৰ বিৰুদ্ধে অস্ত্ৰধাৰণ কৰিলে। তাৰ ফলত—বাণাসুৰ পৰাজিত হৈছিল; কিন্তু পাছত মায়াযুদ্ধেৰে বাণাসুৰে অনিৰুদ্ধক কৃষ্ণসৰ্পবাণৰদ্বাৰা বন্দী কৰি থৈছে। এতেকে—হে কৃষ্ণ! আপুনি স্বয়ং তালৈ যাওক, আৰু বাণাসুৰক সমুচিত শিক্ষা দিয়ক—এই কথাটি ক'বলৈহে মই ইয়ালৈ আহিছিলোঁ।" এই কথাখিনি কৈয়েই নাৰদ তাৰপৰা গুচি গ'ল।

আৰু পাছ মুহূৰ্ততে শ্ৰীকৃষ্ণই গৰুড়ক সুঁৱৰিলে আৰু মুহূৰ্ততে গৰুড় তালৈ ওলালহি। সেই মুহূৰ্ততে কৃষ্ণ, বলৰাম, আৰু লগতে প্ৰদ্যুম্নও গৰুড়ৰ পিঠিত উঠি বহিল।

গৰুড়ৰ পিঠিত উঠি এওঁলোক যেতিয়া


Sankar

শোণিতপুৰ পালেগৈ, তেতিয়া এক আচৰিত দৃশ্য দেখা পালে।

"কৃষ্ণ, এয়ানো কি দেখি আছোঁ?" বলৰামে কৃষ্ণক সুধিলে।

"আমি এতিয়া বাণাসুৰৰ নগৰ প্ৰায় পালোঁহিয়েই। দেৱাদিদেৱ মহাদেৱে এই নগৰখনৰ সুৰক্ষাৰ বাবে অগ্নিক নিযুক্ত কৰিছিল। আমি যি দেখা পাইছোঁ—সেয়া হ'ল স্বয়ং অগ্নিৰ ৰূপ। ইয়াৰ প্ৰতিবিধান আমাৰ গৰুড়েই কৰিব পাৰিব।" কৃষ্ণই বলৰামক বুজাই ক'লে।

শ্ৰীকৃষ্ণই এই কথাটি ক'বলৈ পালেহে, গৰুড়ে তৎক্ষণাৎ আকাশগংগাৰপৰা পানী আনি অগ্নিক নিৰ্বাপিত কৰিলে।

তাৰ পাছত—গৰুড় যেতিয়া আৰু অলপ আগুৱাই গ'ল, তেতিয়া অগ্নিয়ে সিংহনাদ কৰি উঠিল, আৰু লগে লগে বাণাসুৰ যুদ্ধত লাগি পৰিল।

ইতিমধ্যে অংগীৰস আৰু বিভংগয়ো যুদ্ধত যোগ দিলেহি।

শ্ৰীকৃষ্ণই অংগীৰসক ক'লে, "হে অংগীৰস, যদি জীয়াই থকাৰ মন আছে, মোৰ সমুখৰপৰা এই মুহূৰ্ততে আঁতৰি দিয়া, নহ'লে নিজক চম্ভাকে।"

শ্ৰীকৃষ্ণৰ কথাৰ উত্তৰত অংগীৰসে দম্ভালিৰে শ্ৰীকৃষ্ণক ক'লে, "মই এতিয়াই তোমাৰ প্ৰাণ হৰণ কৰিম চাবা।" এই বুলি কৈয়েই অংগীৰসে কৃষ্ণলৈ শূল এপাট নিক্ষেপ কৰিলে।

শ্ৰীকৃষ্ণই এটিমাত্ৰ বাণেৰে অংগীৰসৰ সেই শূলপাট শূন্যতে খণ্ড-বিখণ্ড কৰি পেলালে, আৰু তাৰ পাছত অন্য এটি বাণেৰে অংগীৰসৰ বক্ষ ভেদ কৰিলে। অংগীৰস তেজেৰে সিক্ত হৈ ৰথোপৰি লুটি খাই পৰিল আৰু অংগীৰসৰ অৱস্থালৈ চাই বাকীবোৰে পলাই সাৰিলে।

এইবাৰ শ্ৰীকৃষ্ণই শোণিতপুৰলৈ তেওঁৰ দৃষ্টিক অন্তৰীক্ষৰপৰা মেলি দিলে।





অক্ষয় সম্পদ

শিৱপুৰীৰ ধনৱন্ত ৰামনাথৰ একমাত্ৰ জীয়েক লখিমীজনী উঠন হৈ উঠিল। তেতিয়া সৱে মিলি তাইৰ কাৰণে দৰা বিচৰাত লাগিল। কত ঠাইৰপৰা কত আহিল কত গ'ল—তাইৰ, বা তাইৰ মাক-দেউতাকৰো পছন নহ'ল যে নহ'ল। লখিমীৰ মাকৰ কথা হ'ল দৰাৰ জাতি-জনম, সমাজত উঠন-বহন, কহন-ৰহণ কমেও তেওঁলোকৰ মানৰ হ'ব লাগিব।

কিন্তু লখিমীৰ মত হ'ল—দৰাটি মাত্ৰ সুশিক্ষিত হ'ব লাগে, আন একো নালাগে।

শিৱপুৰীৰ চুবুৰীয়া গাঁও গংগাপুৰৰ জমিদাৰ ডাঙৰীয়াই লখিমীক বোৱাৰী কৰিবৰ মনেৰে ৰামনাথৰ কাষ চাপিল।

নগৰৰ প্ৰখ্যাত জহৰী কনকদাসো আহিল ৰামনাথৰ ঘৰলৈ তেওঁৰ ছোৱালী-জনীক বোৱাৰী কৰি নিবৰ বাবে।

শিৱপুৰীৰ ডাঙৰ বিদ্যালয়ৰ অধ্যাপক ধৰ্মানন্দৰ বিদ্যাধৰ নামৰ এক কৃষি-বাণিজ্যত সুশিক্ষিত পুত্ৰয়ো লখিমীক বিয়া কৰাব খুজিলে; কিন্তু তথাপি লখিমীৰ মাক-দেউতাকে আপত্তি দৰ্শালে।

মাক-দেউতাকে লখিমীক ক'লে, "আই এটা কথাৰ বাহিৰে বিদ্যাধৰক আমাৰ পছন্দ হৈছিল! কিন্তু সেই কথাটোৱেই হ'ল আচল যে বিদ্যাধৰহঁতৰ সা-সম্পদ বোলা একো নাই।

লখিমীয়ে ক'লে, "এটা কাম কৰা যাওক। জমিদাৰৰ, জহৰীৰ, আৰু অধ্যাপকৰো পুত্ৰক আমাৰ ঘৰলৈ নিমন্ত্ৰণ কৰি লৈ অহা হওক। এওঁলোকক বেলেগ বেলেগ প্ৰশ্ন সোধক, আৰু তাৰ পাছত

নীতিমালা মহন্ত

আপোনালোকেই বিবেচনা কৰি চাওক মোৰ বাবে যোগ্য কোন।” তাৰ পাছত সেই যুৱক তিনিওকো কি কি প্ৰশ্ন সুধিব লাগিব লখিমীয়ে তাইৰ মাক-দেউতাকক কৈ দিলে।

নিমন্ত্ৰিত তিনিও যুৱক যেতিয়া আহিল, তেতিয়া প্ৰথমেই জমিদাৰ-পুত্ৰক আছুতীয়া কোঠা এটালৈ লৈ গ'ল, আৰু জীয়েক আৰু পৰিবাৰৰ উপস্থিতি জমিদাৰ-পুত্ৰক সুধিলে, “বোপা, তুমি নিজে তোমালোকৰ জমিদাৰি চলাব পাৰিবা বুলি ভাবানে? নে—এই বিষয়ত আন কাৰোবাৰ সহায় ল'ব লাগিব?”

“জমিদাৰি চলোৱাৰ কথা জানিবলৈ কিয়েইবা আৱশ্যক? জমিদাৰি আমাৰ গোমস্তা আৰু চাকৰ-নাকৰহঁতেই দেখোন চলায়।” জমিদাৰ-পুত্ৰই কৈ দিলে।

“বাৰু, ধৰ্মানন্দৰ পুত্ৰ বিদ্যাধৰ যে কিমান বিদ্বান জানাই। ধৰা, তোমাকেই যদি লখিমীয়ে বিয়া কৰায়, তুমি বিদ্যাধৰৰ দৰে বিদ্যা আৰ্জি ল'ব পাৰিবা জানো?” ৰামনাথে পুনৰ সুধিলে।

“কেনেকৈনো হ'ব?” জমিদাৰ পুত্ৰই আচৰিত মানিলে।

তাৰ পাছত ৰামনাথ জহৰী কনক-দাসৰ পুত্ৰকো একেইবোৰ কথা সুধিলে। জহৰী-পুত্ৰই একোৱেই কোৱা নাছিল।

সদৌ শেষত ৰামনাথে ধৰ্মানন্দ-পুত্ৰ বিদ্যাধৰক সুধিলে, “তুমি নিশ্চয় জমিদাৰ বিক্ৰমসিংহ আৰু জহৰী কনকদাসৰ নাম শুনিছা। লখিমীয়ে যদি তোমাক বিয়া কৰায়, তুমি সেই জমিদাৰ বা জহৰীৰ দৰে ধন-সম্পদ গোটাব পাৰিবানে?”

বিদ্যাধৰে হাঁহি মাৰি ক'লে, “তেওঁ-লোকৰ দৰে ধন-সম্পদ—মন কৰিলে মই অতি কম সময়তে আৰ্জিব পাৰোঁ।”

“কেনেকৈনো!” ৰামনাথে সুধিলে।

“শুনক, আপোনাক লাগে সেই জমিদাৰ বা জহৰীৰ দৰে ধন-সম্পদ থকা

জোঁৱায়েৰ। হয়নে নহয়? ভাল। এতিয়া ভাবি চাওক, লখিমী হ'ল আপোনাৰ একমাত্ৰ পুত্ৰী। আপোনাৰ ইমান ধন-সম্পদ ক'বলৈ গ'লে—লখিমীৰেই। সেই লখিমীক বিয়া কৰোবাৰ লগে লগে ময়ো আপোনাৰ এই বিপুল ধন-সম্পদৰ অধিকাৰী হৈ নপৰিমনে?" বিদ্যাধৰে মুচুককৰে হাঁহি কথাখিনি ক'লে।

এই উত্তৰ শুনি ৰামনাথে কিছু ভাল পোৱা যেনেই লাগিল। ৰামনাথে মৃদুকৈ হাঁহি মাৰি জীয়েকলৈ চালে।

তাৰ পাছত বিদ্যাধৰ যেতিয়া কোঠাটোৰ পৰা ওলাই গ'ল, তেতিয়া লখিমীয়ে তাইৰ মাক-দেউতাকক সুধিলে, "এতিয়া বুজি পালেনে বিদ্যাধৰ কি আৰু কোন? মোক বিয়া কৰোৱাৰ পাছত বিদ্যাধৰ জমিদাৰৰ-পুত্ৰ বা জহৰী-পুত্ৰতকৈ কোনো-গুণে কম নহ'ব ধন-সম্পদৰ ফালৰপৰা। আৰু—পাৰ্থিব ধন-সম্পদ এদিন নাশ হৈ যাব পাৰে, কিন্তু বিদ্যাধৰৰ বিদ্যাৰূপী সম্পদ কদাপি নাশ নহ'ব। বিদ্যাৰূপী সম্পদ হ'ল অক্ষয়-সম্পদ। আমাক তাতকৈ অধিক সম্পদ আৰুনো কি লাগিছে? এই বিদ্যাধন সদায় বাঢ়ি গৈ থাকিব। কিন্তু জমিদাৰ বা জহৰী-পুত্ৰৰ ধন-সম্পদ সদায় টুটিহে গৈ থাকিব। —এতিয়া সকলো কথা জুখি-মাখি চাই-চিঁতি কি কৰে-নকৰে আপোনালোকেই কৰক।"

"তোমাৰ কথাখিনি সম্পূৰ্ণ সঠিক, আই। তুমি বিদ্যাধৰকে বিয়া কৰোৱা। এই কথাত আমাৰ পূৰ্ণ সন্মতি থকাৰ উপৰিও আমি অত্যন্ত আনন্দ লভিছোঁ। তোমাৰ আৰু বিদ্যাধৰৰ প্ৰতিও আমাৰ হিয়াভৰা আশীৰ্বাদ থাকিল।" লখিমীৰ দেউতাকে ক'লে।

তাৰ পাছত এদিন এক শুভ মুহূৰ্তত এক অনাড়ম্বৰ অনুষ্ঠানৰ যোগেদি লখিমী আৰু বিদ্যাধৰৰ বিবাহ সুসম্পন্ন হ'ল।

সাক্ষী বটবৃক্ষ

ৰূপনাৰায়ণপুৰ গাঁৱত নাৰায়ণগুপ্ত নামৰ এজন ধনৱান ব্যক্তি আছিল। এদিন তেওঁ কিবা এটা কামলৈ আন এখন গাঁৱলৈ বুলি ওলাল। গৈ থাকোঁতে বাটত সোমদাস নামৰ গৃহস্থ এজনৰ সৈতে ভেটাভেটি হ'ল। গৃহস্থ সোমদাসে নাৰায়ণ-গুপ্তক নম্রভাৱে ক'লে, "মহাশয়, মোৰ জুপুৰিটো মেৰামতি নকৰিলে এইবাৰ বাৰিষা আমি কিজানি কোনোবা গছ-তলতহে আশ্রয় ল'বলগাত পৰিম। দয়া কৰি মোক আপুনি ত্রিশ টকা ধাৰলৈ দিবনে? মই শাক-পাচলি বেচি আপোনাৰ টকা নিশ্চয় পৰিশোধ কৰিম।"

ধনৱান হ'লেও নাৰায়ণগুপ্ত আছিল দয়ালু স্বভাৱৰ ব্যক্তি। তেওঁ তেতিয়াই সোমদাসক ত্রিশ টকা উলিয়াই দিলে।

কিন্তু পাছত সোমদাসে তাৰ কথা নৰখা হ'ল, যদিও সোমদাসে খেতি-বাতি ভালেই কৰিছিল।

এদিন নাৰায়ণগুপ্তই সোমদাসক মতাই অনাই মৰমৰে ক'লে, "সোমদাস, এবছৰ হৈ গ'ল, মোৰ পইচাখিনি তুমি এতিয়ালৈকো নিদিলা।"

"আপোনাৰ পইচা—মানে! কিনো আপুনি? যি ক'বলগা আছে কৈছে চাফ চাফকৈ কওক।" সোমদাসে ক'লে।

"তোমাৰ ঘৰটোৰ মেৰামতিৰ কাৰণে যোৱা বছৰ তুমি মোৰপৰা ত্রিশ টকা ধাৰ হিচাপে লোৱা নাছিলা জানো?"

আপোনাৰ হাতত নিশ্চয় কাগজ-পাতি কিবাকিবি লেখা-মেলা আছে? সেই কাগজখিনি মোৰ ঘৰলৈ পঠাই দিব,

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্রকাশিত কাহিনী'

মই তাত লিখা মতে আপোনাৰ পাওনা-নিশ্চয় পৰিশোধ কৰিম।” নাৰায়ণগুপ্তৰ ওচৰত যে কোনো ধৰণৰ কাজপত্ৰ নাই, এই কথা জানিয়েই সোমদাসে ক’লে।

“তুমিও কোনো কাগজ-টাগজত লিখি মোক একো দিয়া নাছিলা, আৰু ময়ো এই কথা ভাবি একো লিখি লোৱা নাছিলোঁ যে—তুমি অতি সোনকালে—এমাহৰ ভিতৰতে টকখিনি ঘূৰাই দিবা বুলি কৈছিলা।” নাৰায়ণগুই ক’লে।



“বাঃ বাঃ! আপুনি যিমানেই আঢ্যৱন্ত-ধনৱন্ত নহওক লাগিলে—মোক এটা মূৰুখৰো মূৰুখ বুলি ভাবি উধাৰ খোৱাৰ গধুৰ বোজা মোৰ পৰত জাপি দিব পায়নে?” সোমদাসে নাৰায়ণগুপ্তক ক’লে।

এইইদৰে বাচ্যাবাচ্যি-টখনাউখনি চালি থকাত কিছুমান মানুহ গোট খালে তাত। গোটখোৱা ৰাইজে সকলো কথা শুনি দুয়োকো গাঁওবুঢ়াৰ কাষ চাপিবলৈ ক’লে।

দুয়ো গাঁওবুঢ়াৰ ওচৰলৈ গ’ল, আৰু ধৈৰ্য্যশীল গাঁওবুঢ়াই দুয়োজনৰ বক্তব্য ধৈৰ্য্যৰে সৈতে শুনিলে।

সোমদাসে গাঁওবুঢ়াক ক’লে, “মই কিবা—এটা মগনিয়াৰনে কি? দুশ টকা ধাৰলৈ ল’বলৈ মোকনো কিহে পাইছিল? এই কথা ঠিক যে মই মোৰ খেতিৰ ধান বেচি ঘৰটো মেৰামতি কৰোৱাই-ছিলোঁ। কিন্তু নাৰায়ণগুপ্তই মোক যদি উধাৰেই দিছিল টকাখিনি তেওঁ একো লিখাই নোলোৱাকৈয়েই এবছৰতকৈয়ো বেছিদিন ধৰি চুপচাপ হৈ থাকিবনে?”

“মই যেতিয়া টকাখিনি দিছিলোঁ তোমাক, সোমদাস তেতিয়া তাত আন কোনো নাছিল। এজোপা বৰগছৰ তলত থিয় হৈ মই তোমাক টকাখিনি দিছিলোঁ।” নাৰায়ণগুপ্তই ক’লে।

“ঠিক আছে, মই মাতিছো বুলি বৰ গছজোপাক কওকগৈচোন।” গাঁওবুঢ়াই নাৰায়ণগুপ্তক ক’লে, “বৰগছজোপায়েই

হ'ল আপোনাৰ কথাৰ তথা সোমদাসৰো কথাৰ প্ৰকৃষ্ট সাক্ষী।"

"কি!" বিস্মিত নাৰায়ণগুপ্তই কৈ উঠিল, "বৰগছজোপাই মানে—বৰগছে ইয়ালৈ আহি—সাক্ষী—দিব?"

"মই যদি আদেশ দিওঁ—বৰগছেও আহিব লাগিব। আপুনি বৰগছক কথাটো মাত্ৰ কৈ আহকগৈচোন।" গাঁওবুঢ়াই নাৰায়ণগুপ্তক ক'লে।

গাঁওবুঢ়াৰ কথা শুনি তাত উপস্থিত থকাসকলৰ বিস্ময়ৰ পাৰ-কূল নোহোৱা হ'ল। আৰু — তেতিয়া সোমদাসৰ তপিনাত গোৰ লগাই নচাৰ মন গ'ল। গাঁওবুঢ়াৰ যে মাথা খাৰাপ হৈ গ'ল— সেই কথাত আৰু কিবা—সন্দেহৰ থল আছেনে? গতিকে—উধাৰৰ উৰা-ভুৰা পোৰাটো এতিয়া দিল্লীতকৈও দূৰ অস্তু।

নাৰায়ণগুপ্ত গাঁওবুঢ়াৰ কথা মতে গুচি যোৱা পাছত গাঁওবুঢ়াই সোমদাসক সুধিলে, "হেৰা সোমদাস, নেৰায়ণে এতিয়ামানে বৰগছজোপা পালেগৈনে?"

"এঃ ইমান খৰকৈ তেওঁ কেনেকৈনো বৰগছ পাবগৈ? বগৰছজোপা ইয়াৰপৰা কমেও ডেৰ কোশমানৰ বাট। আৰু— কেইদিনমান আগতে বৰষুণ দিয়াত বাটত ইমান যে বোকা। আৰু তাত বৰগছ এজোপানে? তাত বৰগছৰে বন। তাৰপৰা সেইজোপা কোনজোপা কেনেকৈনো চিনি পাব তেওঁ?" সোমদাস ফূৰ্তিৰে কৈ গ'ল।

এই কথা শুনি গাঁওবুঢ়াই সোমদাস পিঠিত এটা গেমেহা কিল মাৰি গৰ্জি উঠি ক'লে, "হেঁ? তেনেহ'লে কোনজোপা বৰগছৰ তলত নেৰায়ণে তোমাক টকা দিছিল তুমি জানা, নহয়?"

অপৰাধীক ধৰাৰ এই অদ্ভুত কৌশলক ৰাইজে শলাগিলে আৰু নাৰায়ণগুপ্তক সুতে-মূলে টকাখিনি তৎক্ষণাৎ পৰিশোধ কৰিবলৈ সোমদাসক বাধ্য কৰিলে।

গা চাই গামোচা

গৌৰীগঞ্জৰ গোবিন্দ বৰ চালাক। তাৰ চালাকিৰ কথা, চাস্তেলি মৰা কথা নজনা গাঁৱত কোনো নাই। সকলোৱে কয়—আক পাৰিবা তাক পাৰিবা, গেঁৰা-খোৱা শিয়াল গোবিন্দক বুদ্ধিৰে নোৱাৰিবা।

এবাৰ গাঁৱত মন্দিৰ নিৰ্মাণৰ বাবে গোবিন্দ ওলাল ৰাইজৰপৰা চান্দা আদায় কৰিবলৈ। গৈ গৈ—গাঁৱৰ ডাঙৰ বেপাৰী ৰামসিং-লক্ষ্মণসিংৰ ঘৰ পালেগৈ। ৰামসিং আৰু লক্ষ্মণসিং আছিল যঁজা ভাই-ককাই। কোনজন ৰামসিং কোনজনেইবা লক্ষ্মণসিং—স্পষ্টকৈ ঠাৱৰ কৰাটো টান আছিল। গোবিন্দ প্ৰথমেই লক্ষ্মণসিংৰ কাষ চাপিল। লক্ষ্মণসিঙে গোবিন্দক ক'লে, "তুমি প্ৰথমে ককাইদেউৰ ওচৰলৈ যোৱা উচিত আছিল।"

"গুণৰ সৰু-বৰ নাই। সজ কামত চান্দা দিয়াত আপোনা লোকৰ নাম সকলোৰে ওপৰত।" গোবিন্দই ক'লে।

লক্ষ্মণসিঙে এশ ষোল টকা চান্দা হিচাপে দি গোবিন্দক বিদায় কৰিলে।

পাছদিনা গোবিন্দ ৰামসিঙৰ ঘৰলৈ গ'ল আৰু ৰামসিঙক ক'লে, "বয়সত আপুনিয়ে ডাঙৰ, গতীক, প্ৰথমেই আপোনাৰ কাষ চপাটোৱেই উচিত আছিল। মই ভুলকৈ আপোনাৰ ভাইটিৰ ঘৰলৈ গ'লোঁ। তেওঁ মোক এশ ষোল টকা দিলে। ডাঙৰ সদায়েই ডাঙৰ আপোনাৰ জোখাৰে আপুনি দিব।"

"তুমি যে বাস্তৱিকতে চালাক মানুহ—সৰ্বসাধাৰণে জানে, আৰু মানে। কিন্তু তুমি ভুলহে কৰিলা, মই ৰামসিং নহওঁ, লক্ষ্মণসিং। ককাইদেউ গা-ধোৱা ঘৰত আছে, ওলাই নহালৈকে বহাঁ তেন্তে।" লক্ষ্মণসিঙে মুচুককৰে হাঁহি মাৰি ক'লে।

চালাকী যে সদায় সকলোতে সকলোৰে সৈতে নাখাটে—গা চাইহে যে গামোচা হ'ব লাগে-গৰুৱাগলা গোবিন্দই সেইদিনাৰপৰা সেই কথাৰ ভালেকৈয়ে বুজ পালে।



ভাগীৰ ভাগ

জাভা দ্বীপত ডোংগো নামৰ এজন দুখীয়া যুৱক আছিল। ডোংগো আছিল কেও-কিছু নোহোৱা মাতৃ-পিতৃহীন। ডোংগোই এগৰাকী বিধৱাৰ ওচৰত ঘৰুৱা কাম-বন কৰাৰ লগতে তেওঁৰ খেতি-পথাৰতো কাম কৰিছিল। এই খেতি-পথাৰ সদায় শস্যেৰে নদন-বদন হৈ থাকিছিল; কিন্তু ডোঙ্গোয়ে কাম ল'লে- আৰু খেতি-পথাৰৰ ফলবোৰো ডেৰ-কেচীয়া দিবলৈ ধৰিলে। আৰু ডেৰ দুই বছৰৰ পাছত একবাৰ সাৰুৱা খেতি-পথাৰ প্ৰায় ছনপৰাহেন হৈ উঠিল।

এই কথাত গাঁৱৰ ৰাইজৰ মাজত নানান কথাৰ ঢৌ উঠিল। খেনোৱে ক'লে—এই খেতি-পথাৰ গৰাকিনি হ'ল কিৰ্পিণৰো কিৰ্পিণ, আনকি গাঁৱৰ গোসাঁনীলৈকো ঠিকমতে পূজা আগ নকৰে। তাৰ কাৰণেহে তাইৰ খেতি-পথাৰ উবাৰ হ'ল।

কথা মানে বতাহ। গৈ গৈ কথাটো বিধৱা মানুহ গৰাকীৰ কাণতো পৰিল আৰু শুনি মানুহজনীয়ে বেয়া পালে। আৰু ইকথা-সিকথা ভাবি-চিন্তি—মানুহজনীয়ে ডোঙ্গোক খেদি দিলে।

ভোকত আতুৰ হৈ ডোঙ্গো গাঁও এৰি গুচি গ'ল। গৈ গৈ বহুদূৰ পালেগৈ। ডোঙ্গোই যেতিয়া অন্য এখন গাঁও পালেগৈ, তেতিয়া সি ভোকে-পিয়াহে অৱসন্ন হৈ পৰিছিল। সি এটা ঘৰৰ দুৱাৰত ধকিয়ালেগৈ। এই ঘৰটো আছিল এগৰাকী বিধৱা মানুহৰ ঘৰ। মানুহজনীয়ে দুৱাৰখন খুলিলে, আৰু লগে লগে ডোঙ্গো তললৈ লুটি খাই পৰিল আৰু অতি ক্ষীণ মাতেৰে ক'লে, "আই, মোক অলপ খাবলৈ

'জাভাৰ লোক-কথা'

দিয়া, মই—মই—।"

বিধৰা মানুহজনীয়ে ডোঙ্গোক ঘৰৰ ভিতৰলৈ লৈ গ'ল, তাক খাবলৈ দিলে, আৰু পাছত সুধিলে, "বোপা, তুমি দেখোন শ্ৰম কৰিয়েই পেট প্ৰৱৰ্তাব পাৰা।"

ডোঙ্গোই নিজৰ কাহিনী বিধৱাজনীক ক'লে। তাৰ পাছত মন্তব্য কৰিলে, "মোৰ দৰে কেইটা মানুহে ইমান পৰিশ্ৰম কৰে মই ক'ব নোৱাৰোঁ। কিন্তু তথাপি মোৰ গৰাকিনীয়ে মোক কেনেকৈ খেদি কিথিনি পুণ্য আৰ্জিলে—তেওঁহে জানে।"

"যি শুনিলোঁ—তোমাৰ একো জগৰ দেখা নাই। ঠিক আছে, মোৰো ইয়াত অলপ খেতি-খোলা নথকা নহয়। যদি মন কৰা—মোৰ মাটিতো খেতি-বাতি কৰিব পাৰা। তুমি ওপজনৰ পাঁচভাগৰ এভাগ পাবা। কিন্তু মোৰ গৰু-ম'হ একো নাই, আৰু খেতিমাটিও তেনেই কম।" বিধৱাজনীয়ে ক'লে।

"কোনো কথা নাই, মই মোৰ দেহৰ সমস্ত শকতিৰে এই খেতি-পথাৰত সোণ ওপজাম।" ডোঙ্গোই ক'লে।

আৰু ডোঙ্গোই তাৰ কথা মতে কামও কৰিলে। সৰ্বশক্তিৰে মাটি চাহ কৰি বীজ ছটিয়ালে। ধানখেতি লহপহীয়া হৈ উঠিল; কিন্তু আচৰিত কথা, ধানৰ ভিতৰত একো নাই, কেৱল পতানহে!

মোৰ কপালেই'বেয়া, নহ'লে কেলেইনো

এনেকুৱা হ'ব ? মোক যিহঁতেই কামত ল'ব, সিহঁতৰেই অৱস্থা এনেকুৱা হ'ব লাগে'। —এনেবোৰ কথা ভাবি ভাবি ডোঙ্গোই শস্য চপোৱাৰ আগদিনা পলাই যাবলৈ দিহা কৰিলে। ৰাতি পুউৱাৰ আগতেই ডোঙ্গো জাগি উঠিল আৰু কাউৰী-কুকুৰায়ো গম নোপোৱাকৈ ঘৰ এৰি গুলাল; কিন্তু এই ঘৰ তথা গাঁও এৰি গুচি যোৱাৰ আগতে এবাৰ ইমান শ্ৰমেৰেকৰা খেতি-পথাৰখন চাবলৈ মন গ'ল তাৰ। সি পথাৰলৈ গ'ল। সোণোৱালী ধানবোৰ টিপি টিপি চালে। ধানৰ ভিতৰত চাউল নাই, কিন্তু—কিন্তু এয়ানো কি? ধানৰ ভিতৰত সোণ!

ডোঙ্গোই নিজৰ চকুযুৰিকো বিশ্বাস কৰিব নোৱাৰিলে। সি ভালেমান ধান টিপি টিপি চালে, আটাইবোৰ ধানৰ ভিতৰত চাউলৰ সলনি সোণৰ দানা!

ডোঙ্গোই দৌৰি দৌৰি ঘৰ পালেগৈ। ডোঙ্গোই-ফোঁপাই ফোঁপাই ক'লে, "মাঈজী—আমাৰ খেতি-পথাৰত সোণৰ শইচ উপজিল। এয়া লওক—সোণ!" সি তাৰ গৰাকিনীক সোণৰ চাউল দেখুৱালে।

তাৰ পাছত—কেইদিনমান পাছত—খেতিৰ শইচ চপোৱা হ'ল, মোণে মোণে চাউল পোৱা হ'ল, আৰু গৰাকিনীয়ে তেওঁৰ কথা মতে পাঁচভাগৰ এভাগ সোণৰ চাউল ডোঙ্গোক দিলে। আৰু গাঁৱৰ ল'ৰা-বুঢ়া সকলোকে নিমন্ত্ৰণ কৰি সবাহ পাতি ভোজ-ভাত খুৱালে।

ডোঙ্গোই তাৰ ভাগৰ সোণৰ চাউল-খিনি বেচি সেই ধনেৰে কেইহালিচামান মাটি কিনিলে আৰু তাৰ খেতি-মাটিত কাম কৰা খেতি বনুৱাহঁতক সিও উৎপাদিত শস্যৰ পাঁচভাগৰ এভাগকৈ দিলে। সেই তেতিয়াৰেপৰাই খেতি-বনুৱাহঁতে সদায় পাঁচভাগৰ এভাগকৈ শস্য ভাগীৰ ভাগ হিচাপে পাই আহিছে।



আটলাণ্টিক আৰু
প্ৰশান্ত মহাসাগৰৰ স্যামন মাছে মিঠা পানীতে জীৱন কটায়। কণী দিয়াৰ বাবে বিচাৰি সকলো বাধ-বিপত্তি নেওচি শ শ মাইললৈকে মিঠা-পানী সাঁতুৰি উজাই যায়।

স্যামন

তেজপিয়া

জন-বিশ্বাস মতে—তেজপিয়াইঁতে যেনেকৈ ইচ্ছা তেনেকৈ' গাৰ বৰণ সলাব নোৱাৰে। ইয়াৰ বৰণ সলাবৰ ক্ষমতা তেনেই সীমাবদ্ধ। ই কেৱল কপিলা সেউজীয়া বৰণলৈহে নিজৰ দেহবৰ্ণক সলনি কৰিব পাৰে। ইয়াৰ গাৰ ছালৰ ভিতৰত ৰক্তকোষত বোল দিব পাৰা বস্তু থকাত এই পৰিৱৰ্তন সম্ভৱ হয়।

সৰাতোকৈ প্ৰাচীন

ব্ৰিস্তলেক'ন পাইন নামৰ কালিফ'ৰ্নিয়াৰ শ্বেত পৰ্বতত অৱস্থিত সৰল জাতীয় এবিধ বৃক্ষক পৃথিৱীৰ সৰাতোকৈ প্ৰাচীন জীৱন্ত বস্তু "বুলি গণ্য কৰা হয়। এই বৃক্ষৰ বয়স ৪,৬০০ বছৰ বুলি সাব্যস্ত কৰা হৈছে।

অতিকে' মৰমৰ এই উপহাৰ
দিয়েনে কি ভাবি চাওক
প্ৰৱাসুৰা হৈ থকা আপোনাৰ
চেনেহৰজনে পাওক

চান্দমামা

তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক :

অসমীয়া, বাংলা, ইংলিছ, গুজৰাটি, হিন্দী, কন্নড়, মালায়ালম্, মৰাঠী, ওড়িয়া, সংস্কৃত, তামিল আৰু তেলেগু

আৰু প্ৰবাসত থাকিও উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক

বছৰেকীয়া বৰঙণি

অষ্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে ৮১'০০ টকা • উৰা-জাহাজ-যোগে ১৫৬'০০ টকা

ফ্ৰান্স, ছিংগাপুৰ ইংলেণ্ড, আমেৰিকা, পশ্চিম জাৰ্মানি আৰু অন্যান্য 'দেশলৈ

জাহাজ-যোগে ৮৭. ০ টকা # উৰা-জাহাজ যোগে ১৫৬'০০ টকা

টকা-পইচা
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ
কেৱল ডিমাণ্ড ড্ৰাফট নাইবা মনিঅৰ্ডাৰ যোগে তলৰ ঠিকনালৈ পঠাব :

ছাৰ্কুলেশ্যন মেনেজাৰ
চান্দমামা পাবলিকেশ্যনছ
চান্দমামা বিল্ডিংছ
বড়াপালানি, মাদ্ৰাজ-৬০০ ০২৬



CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৯ চনৰ ফেব্ৰুৱাৰি সংখ্যাত প্ৰকাশিত হ'ব



* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৯ চনৰ ডিচেম্বাৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৯ চনৰ অকট'বাৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : কাণে কাণে কণাকণি দ্বিতীয় ফটো : কলিজাই জনাজনি

পুৰস্কাৰ প্ৰাপক : বসন্তমংগল নেওগ, দিছপুৰ, গুৱাহাটী-৫

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চা ন্দ মা মা

ভাৰতত বছৰেকীয়া বৰঙণি ৩৬.০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026

নাইবা

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

What makes Junior Quest every child's best friend?

It's crammed with answers.
It's a challenge to do-it-yourself.
It's an invitation to contests.
It's an exciting pull-out in each issue.

JUNIOR QUEST
Where finding out is fun

To subscribe write to,
JUNIOR QUEST,
Dolton Agencies, Chandamama Buildings,
N.S.K. Salai, Vadapalani,
Madras: 600 026.

A new monthly English children's magazine

A Chandamama Vijaya Combines publication

CHANDAMAMA (Assamese) December1989 Regd. No. TN/MS (S)/87